অসমৰ মাননীয় ৰাজ্যপাল

# শ্ৰীযুত গোলাব চান্দ কাটাৰিয়াৰ

# ভাষণ



পঞ্চদশ অসম বিধান সভা

১০মাৰ্চ, বাজেট অধিৱেশন, ২০২৩

অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদস্যসকল,

আপোনালোক আটাইলৈ নমস্কাৰ জনাইছোঁ। এটা নতুন বিত্তীয় বৰ্ষৰ আৰম্ভণিৰ এই শুভ মুহূৰ্তত মই আপোনালোকক শুভেচ্ছা জনাইছোঁ।

(১) আজি ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাজেট অধিবেশনৰ প্ৰথম দিনটোত মই আপোনালোকৰ সন্মুখত মোৰ ভাষণ প্ৰদান কৰিবলৈ লৈছোঁ। এই উপলক্ষে আৰম্ভণিতে মই অসমক নৱজাগৰণৰ পথেৰে আগুৱাই নিয়াৰ বাবে মোৰ চৰকাৰে সাম্প্ৰতিক সময়ত সম্পন্ন কৰা কিছুসংখ্যক উন্নয়নমূলক কাম-কাজৰ ওপৰত আলোকপাত কৰিবলৈ বিচাৰিছোঁ। অসম বৰ্তমান এক বিশাল ৰূপান্তৰ প্ৰক্ৰিয়াৰ মাজেৰে অগ্ৰসৰ হৈছে। অসমৰ ৰাইজৰ আশীৰ্বাদ তথা মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ পথ-প্ৰদৰ্শনেৰে মোৰ চৰকাৰে অভূতপূৰ্ব শান্তি, প্ৰগতি আৰু উন্নয়নৰ এক নতুন যাত্ৰা আৰম্ভ কৰিছে। উপযুক্ত আন্তঃগাঁথনি আৰু বিনিয়োগৰ অভাৱে বহু বছৰ ধৰি ৰাজ্যখনৰ উন্নয়নী প্ৰক্ৰিয়া বাধাগ্ৰস্ত কৰিছিল। কিন্তু মোৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ ফলত ৰাজ্যখনত আজি পৰিৱৰ্তনৰ জোৱাৰ আহিছে। ৰাইজৰ মনত নতুন আত্মবিশ্বাস, আশা আৰু শক্তিৰ সঞ্চাৰ হৈছে আৰু ই ৰাজ্যখনৰ উন্নয়ন প্ৰক্ৰিয়াক ন গতি দিছে।

(২) মই সবিশেষ ব্যাখ্যা আগবঢ়োৱাৰ আগতে সাংস্কৃতিক ক্ষেত্ৰত মোৰ চৰকাৰে লাভ কৰা দুটা বিশেষ সফলতাৰ বিষয়ে উল্লেখ কৰিবলৈ পালে সুখী হ'ম। সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে জড়িতএই দুই বিশেষ সফলতাই আমাৰ ঐতিহ্য আৰু সংস্কৃতিক উচ্চ স্থলাভিষিক্ত কৰিলে। প্ৰথমে মই এই বছৰ আয়োজন কৰা লাচিত দিৱসৰ কথা উল্লেখ কৰিবলৈ পালে সুখী হ'ম। এয়া এক আনন্দৰ বিষয় যে ৰাষ্ট্ৰীয় ৰাজধানীত আয়োজিত এই অনুষ্ঠানে আহোম সাম্ৰাজ্যৰ কিম্বদন্তীমূলক সেনানায়কগৰাকীৰ বিষয়ে ব্যাপক সজাগতাৰ সৃষ্টি কৰিলে। আন্তঃৰাষ্ট্ৰীয়

ঐতিহাসিক মানচিত্ৰত আহোমৰ শাসনক স্থান দিয়াৰ বাবেও ই এক অপূৰ্ব সুযোগ প্ৰদান কৰিলে।

(৩) দেশপ্ৰেম আৰু সাহসিকতাৰ বাবে আহোম ৰাজ্যৰ কিম্বদন্তীমূলক সেনানায়ক লাচিত বৰফুকন প্ৰজন্মৰ পিছত প্ৰজন্মজুৰি আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব। তেওঁ মোগল আক্ৰমণকাৰীসকলক শোচনীয়ভাৱে পৰাভূত কৰি এই ভূখণ্ডক বহিৰাগতৰ অধীন হোৱাৰ পৰা ৰক্ষা কৰিছিল। উল্লেখ্য যে ২০২২ বৰ্ষটো সেনানায়কগৰাকীৰ ৪০০ তম জন্মবাৰ্ষিকী আছিল আৰু এই উপলক্ষে কিম্বদন্তি সেনানায়কগৰাকীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ মোৰ চৰকাৰখনে নতুন দিল্লীত এলানি কাৰ্যসূচী গ্ৰহণ কৰিছিল। এই তিনিদিনীয়া কাৰ্যসূচীত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী, মাননীয় গৃহ মন্ত্ৰী আৰু মাননীয় বিত্ত মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

আমাৰ বাবে পৰম গৌৰৱৰ বিষয় যে অসমে অলপতে এক বিশ্ব অভিলেখ স্থাপন কৰি গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছত নাম জিলিকাবলৈ সক্ষম হৈছে। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে লাচিত বৰফুকনৰ বিষয়ে ৪২.৯৪ লাখ লিখনি লাভ কৰাৰ ফলত অসমে অনলাইনযোগে দাখিল কৰা হাতে লিখা ৰচনাৰ শাখাত বিশ্ব অভিলেখ স্থাপন কৰিছে। এই বিশেষ সফলতাৰ স্বীকৃতিস্বৰূপে গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছ লিমিটেডে ২০২৩ বৰ্ষৰ ৯ মাৰ্চত অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ হাতত এই 'অভিলেখৰ প্ৰমাণ-পত্ৰ' প্ৰদান কৰিছে।

(৪) মোৰ চৰকাৰে অসমক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এখন নৱজাগৰিত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ ক্ষিপ্ৰতাৰে কাম কৰি আছে। আমাৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে ৰাজ্যখনে কেইবাটাও চমকপ্ৰদ সফলতা লাভ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল- ৰাজ্যখনৰ চৰাইদেউ মৈদামে সফলতাৰে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ দিশত আগবাঢ়িছে। আহোম ৰজা আৰু ৰাজ পৰিয়ালৰ সদস্যসকলক সমাধিস্থ কৰা সমাধিথলীয়েই হৈছে মৈদাম। আমাৰ বাবে গৌৰৱ আৰু আনন্দৰ বিষয় যে ভাৰতৰ পৰা এইবাৰ একমাত্ৰ চৰাইদেউ মৈদাম এই স্বীকৃতিৰ বাবে মনোনীত হৈছে আৰু ইতিমধ্যে 'ইউনেস্ক' সচিবালয়ৰ

সকলো প্ৰয়োজনীয় চৰ্ত পূৰণ কৰিছে। চৰাইদেউ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদানৰ বাবে মনোনীত কৰাৰ কাৰণে মই অসম চৰকাৰ আৰু অসমৰ ৰাইজৰ হৈ ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

(৫)বিহু হ'ল অসমৰ জীৱনৰেখা আৰু আমাৰ গৌৰব এই উৎসৱক বিশ্বমঞ্চলৈ লৈ যোৱাৰ লগতে গীনিজ বৰ্ল্ড ৰেকৰ্ডছত অন্তৰ্ভুক্ত কৰিবলৈ সৰুসজাই ক্ৰীড়া প্ৰাঙ্গণত ১৪ এপ্ৰিল তাৰিখে দহ হাজাৰতকৈও অধিক নৃত্যশিল্পীৰ অংশগ্ৰহণেৰে এক বিশাল বিহুনৃত্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই আড়ম্বৰপূৰ্ণ অনুষ্ঠানটোত উপস্থিত থাকিবলৈ মাননীয় প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে সন্মতি প্ৰদান কৰিছে।

(৬) এই বছৰ ৰাজ্যখনে যোগাযোগ ব্যৱস্থা আৰু আন্তঃগাঁথনিকে ধৰি অৰ্থনীতিৰ প্ৰতিটো খণ্ডতে বহু উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ২০২১-২২ বিত্তীয় বৰ্ষত অসমে পোন প্ৰথমবাৰৰ বাবে বাজেট ব্যয়ৰ ক্ষেত্ৰত এক লাখ কোটি টকাৰ সীমা অতিক্ৰম কৰিছে। ২০২২-২০২৩ বিত্তীয় বৰ্ষত একত্ৰিত পুঁজি (Consolidated Fund)ৰ ৰূপত বাজেটত মুঠ ১,২৭,৭৯৩ কোটি টকা ধাৰ্য কৰা হৈছে। এই ধাৰ্য কৰা ধন ৰাশিৰ বিপৰীতে অসম চৰকাৰে ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ১,০৩,০০০.০০ কোটি টকা ব্যয় কৰিছে। ই প্ৰমাণ কৰিছে যে এই বিত্তীয় বৰ্ষ শেষ হোৱাৰ পূৰ্বেই মোৰ চৰকাৰে বাজেট ব্যয়ৰ ১ লাখ কোটি টকাৰ সীমা অতিক্ৰম কৰিছে। এই ধাৰা অব্যাহত থাকিলে এই বছৰ মোৰ চৰকাৰৰ মুঠ বাজেটৰ পৰিমাণে ১,২০,০০০ কোটি টকা চুবগৈ, যি ৰাজ্যখনৰ উন্নয়নৰে এক প্ৰতিফলন।

(৭) ইফালে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ৭,৯৪৬ কোটি টকাৰ পৰা ১৫০ শতাংশতকৈও অধিক বৃদ্ধি পাই ২০২১-২২ বিত্তীয় বৰ্ষৰ আগতীয়া প্ৰকৃত হিচাব অনুসৰি ৰাজ্যখনৰ মূলধনী ব্যয় (Capital Expenditure) ২০,২২৯ কোটি টকা হৈছেগৈ।

(৮) এই বিত্তীয় বৰ্ষত এক উল্লেখযোগ্য সফলতা হ'ল মোৰ চৰকাৰে ৩০০ খন এম বি বি এছ আসন বৃদ্ধিৰে ধুবুৰী, কোকৰাঝাৰ আৰু নগাঁৱত ৩ খন নতুন চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰাৰ বাবে অনুমতি পত্ৰ লাভ কৰিছে। আনহাতে নলবাৰীতো এখন চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰাৰ বাবে শীঘ্ৰে অনুমতি পত্ৰ লাভ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ দ্বাৰা এম বি বি এছ আসনৰ সংখ্যা ১৫০০ লৈ বৃদ্ধি পাব। স্বাধীনতাৰ পৰা ২০০৯ চনলৈকে অসমত মাত্ৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আৰু বাৰ্ষিক এম বি বি এছ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মাত্ৰ ৩২৬ গৰাকী থকাৰ বিপৰীতে বৰ্তমান ৰাজ্যখনত চিকিৎসা বিজ্ঞান শিক্ষাৰ বিকাশ সাধন আৰু চিকিৎসকৰ সংখ্যা বৃদ্ধিৰ বাবে এয়া এক অতি গুৰুত্বপূৰ্ণ পদক্ষেপ।

(৯) কৃষকৰ উপাৰ্জনৰ বৃদ্ধিৰ ক্ষেত্ৰত এক ডাঙৰ পদক্ষেপ হিচাপে মোৰ চৰকাৰে ২০২১-২২ বৰ্ষত সকলো কৃষকৰ বাবে প্ৰতি কুইণ্টল ধানত ১৯৪০ টকাৰ ন্যূনতম সমৰ্থন মূল্যসহ ধান ক্ৰয়ৰ অভিযান আৰম্ভ কৰিছিল। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ ৪৩,৯৭৮ গৰাকী কৃষক উপকৃত হৈছে আৰু তেওঁলোকে প্ৰায় ১,০৯৭ কোটি টকা উপাৰ্জন কৰিছে। বিগত বৰ্ষত ৰাজ্যখনে ৫.৬৫ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিছে। ইয়াৰে ২০২২ চনৰ ১৬ মাৰ্চ পৰ্যন্ত কেৱল ১ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰা হৈছিল। এই বছৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টল ধানত ২০৪০ টকালৈ বৃদ্ধি কৰা হৈছে। মোৰ চৰকাৰে ২০২৩ বৰ্ষৰ ৪ মাৰ্চলৈকে ৩ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছে। ইয়াৰ দ্বাৰা ৩৩,২৪৯ গৰাকী কৃষকে ৰাজ্যখনৰ ১৯৮টা ধান ক্ৰয় কেন্দ্ৰত তেওঁলোকৰ ধান বিক্ৰী কৰি ৬১২ কোটি টকা উপাৰ্জন কৰিছে। ২০২৩ চনৰ ৩০ ছেপ্টেম্বৰত অৰ্থাৎ বৰ্তমানৰ খাৰিফ বিপণন বতৰৰ শেষৰ পিনে ১০ লাখ মেট্ৰিকটন ধান ক্ৰয়ৰ লক্ষ্যত উপনীত হ'ব পৰা যাব বুলি মোৰ চৰকাৰখন আশাবাদী।

(১০) মোৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে ৰাজ্যখনৰ বিত্তীয় অৱস্থা যথেষ্ট উন্নত হৈছে। প্ৰাক্কলন অনুসৰি ২০২২-২৩ বৰ্ষত চলিত মূল্যত ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (GSDP) ২০২১-২২ বৰ্ষৰ ৩,৯২,০৭০.৯৮ কোটি

টকাৰ বিপৰীতে ৫ লাখ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে। এই বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৫ লাখ কোটি টকা অতিক্ৰম কৰি এক নতুন ইতিহাস ৰচনা কৰিব বুলি মোৰ চৰকাৰ আত্মবিশ্বাসী। চলিত মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যখনৰ জনমুৰি আয় ২০২১-২২ বৰ্ষৰ ১,১১,১৬২.০০ টকাৰ বিপৰীতে ২০২২-২৩ বৰ্ষত ১,২২,৯৫৪.০০ টকা হ'ব বুলি ঠাৱৰ কৰা হৈছে, যিটোৰ বৃদ্ধিৰ হাৰ ১০.৬১ শতাংশ।

(১১) বিত্তীয় স্বচ্ছতা আৰু দায়বদ্ধতা সুনিশ্চিত কৰাৰ অৰ্থে মোৰ চৰকাৰে বিত্তীয় খণ্ডত এলানি সংস্কাৰমূলক পদক্ষেপ ৰূপায়ণ কৰিছে, যিয়ে ৰাজহ সংগ্ৰহ বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। চলিত ২০২২-২৩ বিত্তীয় বৰ্ষৰ ২০২২ নৱেম্বৰলৈকে ১২,৭৪৭.৫৩ কোটি টকা ( জি এছ টি + অনা জি এছ টি) সংগ্ৰহ কৰা হৈছে। বিগত ২০২১-২২ বিত্তীয় বৰ্ষৰ একে সময়ছোৱাত এই কৰ সংগ্ৰহৰ পৰিমাণ আছিল ১০,১৪১.০৯ কোটি টকা। অৰ্থাৎ চলিত বিত্তীয় বৰ্ষত কৰ সংগ্ৰহৰ ক্ষেত্ৰত বৃদ্ধিৰ হাৰ হৈছে ২৫.৭০%। আজি আমাৰ ৰাজ্যৰ নিজা ৰাজহ সংগ্ৰহৰ পৰিমাণ হস্তান্তৰ (With Devolution) সহ প্ৰতি মাহে ৩৫০০ কোটি টকালৈ বৃদ্ধি পাইছে। এই ধন নিজা উৎসৰ পৰা চৰকাৰী কৰ্মচাৰীলৈ দৰমহা প্ৰদানৰ বাবে পৰ্যাপ্ত। এইটো মোৰ চৰকাৰৰ এক উল্লেখযোগ্য সফলতা।

(১২) ২০২১ চনৰ মে' মাহৰ পৰা মোৰ চৰকাৰে সহযোগী খণ্ডসমূহত বিনিয়োগসহ নীতি আৰু প্ৰাতিষ্ঠানিক সংস্কাৰৰ ওপৰত গুৰুত্ব প্ৰদানেৰে এক অভিলাষী সংস্কাৰমূলক কাৰ্যসূচীৰ ৰূপায়ণৰ দিশত আগবাঢ়িছে। এই সংস্কাৰমূলক কাৰ্যসূচীৰ অধীনত বাণিজ্যৰ প্ৰসাৰ, বিনিয়োগ বৃদ্ধি, নিয়োগ সৃষ্টি আৰু সঘনাই উদ্ভৱ হোৱা তীব্ৰ জলবায়ু সম্পৰ্কীয় সমস্যাসমূহ লাঘৱ কৰিবলৈ বিচৰা হৈছে। নতুনকৈ লাভ কৰা এনে গুৰুত্বৰ ফলস্বৰূপে ৰাজ্যখনৰ বহিঃসাহাৰ্যপ্ৰাপ্ত প্ৰকল্প খণ্ডই ২০২২ বৰ্ষত উল্লেখযোগ্য সফলতা অৰ্জন কৰিছে।

(১৩) বৰ্তমান মুঠ ৩১,১২৬ কোটি টকা ব্যয় সাপেক্ষ ১৫ টা বহিঃ সাহাৰ্যপ্ৰাপ্ত প্ৰকল্প ৰূপায়ণৰ বিভিন্ন স্তৰত আছে। বিত্ত, পৰিবহণ, ৰাজহুৱা সেৱা প্ৰদান, পথ আৰু দলঙৰ আন্তঃগাঁথনি, কৃষি, পৰিৱেশ আৰু বন, পানী যোগান

আৰু পয়প্ৰণালী, শক্তি, দক্ষতা বিকাশ ইত্যাদিৰ দৰে খণ্ডসমূহত এই প্ৰকল্পসমূহ ৰূপায়ণৰ কাম চলি আছে। বৰ্তমানে চলি থকা এই প্ৰকল্পসমূহৰ ভিতৰত ২০২২ চনত ১৩,৮৬২ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে ৪ টা প্ৰকল্পৰ বাবে ঋণ চুক্তি স্বাক্ষৰিত হৈছে।

(১৪) ইয়াৰ উপৰি ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ অধীনৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে অনুমোদন জনোৱা নিৰ্ধাৰিত ৩১,২১২ কোটি টকা ব্যয় সাপেক্ষ ১১ টা বহিঃসাহাৰ্যপ্ৰাপ্ত প্ৰকল্প ৰূপায়ণ কৰা হ'ব। উল্লেখ কৰিব পাৰি যে ২০২২ বৰ্ষতে এই বহিঃসাহাৰ্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ ভিতৰত নিৰ্ধাৰিত ১৩,৫৭২ কোটি টকা ব্যয় সাপেক্ষ ৫ টা প্ৰকল্পত ভাৰত চৰকাৰে অনুমোদন দিছে। ইয়াত উন্নয়নমূলক প্ৰকল্প ৰূপায়ণত চৰকাৰৰ প্ৰচেষ্টা তথা ৰাজ্যৰ কল্যাণৰ অৰ্থে ভাৰত চৰকাৰৰ পৰা লাভ কৰা সহায়-সহযোগিতা প্ৰতিফলিত হৈছে।

(১৫) কেইবছৰমান আগলৈকে ৰাজ্যখনত হিংসা আৰু উগ্ৰপন্থা সাধাৰণ কথা আছিল। কিন্তু অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ স্থায়ী শান্তি অনাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলস্বৰূপে আজি সকলো প্ৰধান উগ্ৰপন্থী গোটে অস্ত্ৰ সম্বৰণ কৰিছে বা আলোচনা প্ৰক্ৰিয়াত যোগদান কৰিছে। উগ্ৰপন্থী সংগঠনৰ সৈতে কেইবাখনো প্ৰধান শান্তি চুক্তি স্বাক্ষৰ কৰা হৈছে, যাৰ ভিতৰত কাৰ্বি শান্তি চুক্তি আৰু আদিবাসী শান্তি চুক্তিও আছে। ইয়াৰ ফলত এই গোটসমূহৰ বৃহৎ সংখ্যক উগ্ৰপন্থীয়ে তেওঁলোকৰ সংগঠন ভংগ হোৱাৰ পিছত মূলসুঁতিত যোগদান কৰিছে। ৰাজ্যখনলৈ দ্ৰুতগতিত শান্তি আৰু স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ ফলত বিগত তিনিটা দশক ধৰি বলবৎ হৈ থকা সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন, ১৯৫৮ খন ১ এপ্ৰিল, ২০২২ ৰ পৰা কাৰ্যকৰী হোৱাকৈ অসমৰ ২৪ খন জিলা আৰু এটা মহকুমাৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে।

(১৬) আজি অসমৰ ৰাইজে হিংসাৰ বিৰুদ্ধে থিয় দিছে আৰু এখন উন্নত, শক্তিশালী, সুৰক্ষিত, উৎপাদনশীল আৰু সুস্থিৰ সমাজ গঢ়ি তুলিবলৈ তেওঁলোকৰ নিজৰ শক্তি আৰু সামৰ্থ প্ৰয়োগ কৰিছে। বন্ধ আৰু ধৰ্ণা সংস্কৃতি এতিয়া অতীত

হৈ পৰিছে। ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতিৰ লক্ষণীয়ভাৱে উন্নতি ঘটিছে। সেয়ে প্ৰতি এক লাখ লোকৰ বিপৰীতে গড় অপৰাধৰ হাৰ হ্ৰাস পাইছে। বিগত বৰ্ষত ই আছিল ৩৮৪ আৰু ২০২২ চনৰ ডিচেম্বৰৰ শেষলৈকে এই সংখ্যা ২০২ লৈ হ্ৰাস পাইছে।

(১৭) ৰাজ্যখনৰ আইন-শৃংখলাজনিত পৰিস্থিতি উন্নত হোৱাৰ লগে লগে ২০২২-২৩ বিত্তীয় বৰ্ষত পৰ্যটন ক্ষেত্ৰখনত উল্লেখযোগ্য বিকাশ সাধন হৈছে আৰু পৰ্যটকৰ সংখ্যাও বৃদ্ধি পাইছে। বিগত বৰ্ষৰ তুলনাত ২০২২-২৩ বিত্তীয় বৰ্ষৰ যোৱা জানুৱাৰী পৰ্যন্ত বিদেশী পৰ্যটকৰ আগমনৰ বৃদ্ধিৰ হাৰ হৈছে ৭৬৩% আৰু ঘৰুৱা পৰ্যটকৰ বৃদ্ধিৰ হাৰ হৈছে ৫১১% । পৰ্যটন খণ্ডৰ অধিক অগ্ৰসৰতাৰ বাবে নতুন পৰ্যটন নীতি, ২০২২ প্ৰস্তুত কৰা হৈছে। কাজিৰঙা, মানাহ আদি স্থানসমূহত পৰ্যটন ক্ষেত্ৰত ব্যক্তিগত বিনিয়োগক উৎসাহিত কৰিবলৈ চৰকাৰে কেইবাটাও নামজ্বলা হোটেল প্ৰতিষ্ঠানৰ সৈতে বৃহৎ আতিথ্য প্ৰকল্প স্থাপনৰ চুক্তি স্বাক্ষৰত অনুমোদন জনাইছে। পৰ্যটনক উদ্যোগৰ মৰ্যাদা প্ৰদান কৰা ভাৰতৰ কেইখনমান ৰাজ্যৰ ভিতৰত অসমো অন্যতম।

(১৮) দুখীয়া আৰু উপান্ত শ্ৰেণীৰ লোকসকললৈ সেৱা আগবঢ়োৱাৰ অৰ্থে মোৰ চৰকাৰে কেইবাটাও নাগৰিককেন্দ্ৰিক সেৱা প্ৰদানৰ কাম আৰম্ভ কৰিছে। গুণগত মানৰ, সময় নিৰ্ধাৰিত আৰু স্বচ্ছ নাগৰিককেন্দ্ৰিক ভূমি সম্পৰ্কীয় সেৱা প্ৰদান সুনিশ্চিত কৰাৰ অৰ্থে চৰকাৰে মিছন বসুন্ধৰা ১.০ আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে ৮ লাখৰো অধিক আবেদন পত্ৰ নিষ্পত্তি কৰাটো সম্ভৱ হৈছে। এই বৃহৎ সংখ্যক আবেদন পত্ৰ প্ৰাপ্তিয়ে এইটো প্ৰমাণ কৰে যে ৰাইজৰ অমীমাংসিত হৈ থকা ভূমি সম্পৰ্কীয় বিষয়ৰ সংখ্যা বৃহৎ আছিল আৰু এই মিছনে প্ৰদান কৰা সেৱাৰ ওপৰত জনসাধাৰণে অটল বিশ্বাস স্থাপন কৰিছে। মিছন বসুন্ধৰা ১.০ ৰ ক্ষেত্ৰত লাভ কৰা উল্লেখযোগ্য সফলতাৰ পিছত মোৰ চৰকাৰে ২০২২ চনৰ ১৪ নৱেম্বৰত মিছন বসুন্ধৰা ২.০ ৰূপায়ণৰ কাম আৰম্ভ কৰিছে। বসুন্ধৰা ২.০-ৰ লক্ষ্য হ'ল-চৰকাৰী খাচ আৰু চিলিং উদ্বৃত্ত ভূমিৰ বন্দৱস্তি, দখলকাৰী ৰায়তসকললৈ মালিকীস্বত্বৰ অধিকাৰ প্ৰদান, হস্তান্তৰিত বাৰ্ষিক পট্টা ভূমিৰ বন্দৱস্তি, ব্যক্তিলৈ

পি জি আৰ / ভি জি আৰ ভূমিৰ বন্দবস্তি, খিলঞ্জীয়া বিশেষ কৃষকৰ বাবে ভূমিৰ বন্দবস্তি, জনজাতীয় লোকসকলৈ উত্তৰাধিকাৰী সূত্রে পোৱা ভূমিৰ বন্দবস্তি, সংযুক্ত ভূমি হস্তান্তৰ সেৱা, অনলাইনযোগে ভূমি ৰাজহ প্ৰদান, ডিজিটেল ষ্টাম্পিং ব্যৱস্থা আদিৰ দৰে সেৱাসমূহ প্ৰদান কৰা।

(১৯) পূৰ্বতে সংৰক্ষিত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে জাতিগত প্ৰমাণপত্ৰ লাভ কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। যাৰ ফলত শিক্ষানুষ্ঠানত নামভৰ্তি আৰু চৰকাৰী সেৱাত যোগদানৰ ক্ষেত্ৰত এই ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট আহুকালৰ সন্মুখীন হৈছিল। অনুসূচিত জনজাতি, অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৈ তেওঁলোকৰ দুৱাৰদলিতে সম্পূৰ্ণ বাধাহীনভাৱে জাতিগত প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লক্ষ্যৰে মোৰ চৰকাৰে 'মিছন ভূমিপুত্ৰ' আৰম্ভ কৰিছে। এই মিছনৰ অধীনত সকলো জাতিগত প্ৰমাণপত্ৰ উপায়ুক্তসকলে প্ৰদান কৰি আছে আৰু এই প্ৰমাণপত্ৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ বিদ্যালয়তেই প্ৰদান কৰি থকা হৈছে। জিলা প্ৰশাসনে আবেদনকাৰীসকলৰ জাতিৰ পৰীক্ষণৰ ক্ষেত্ৰত বিভিন্ন চৰকাৰী কৰ্তৃত্বপ্ৰাপ্ত জাতীয় সংগঠনসমূহৰ শীৰ্ষ সংস্থাসমূহলৈ সাহায্য আগবঢ়াই আছে। আবেদন দাখিল, নথি-পত্ৰ দাখিল, প্ৰক্ৰিয়াকৰণৰ পৰা প্ৰমাণপত্ৰ প্ৰদান কৰালৈকে সকলো কাম অনলাইনযোগে কৰা হয়।

(২০) ১ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰাৰ প্ৰতিশ্ৰুতিৰে মোৰ চৰকাৰ ক্ষমতালৈ আহিছিল। এই প্ৰতিশ্ৰুতি পূৰণ কৰি ২০২১ চনৰ ১০ মে'ৰ পৰা চৰকাৰে ৪১,৯২০ গৰাকী প্ৰাৰ্থীক চৰকাৰী খণ্ডত নিযুক্তি দিছে। এই সকলো নিযুক্তি সম্পূৰ্ণ স্বচ্ছভাৱে কৰা হৈছে। উপযুক্ত প্ৰাৰ্থীক নিযুক্তি দি চৰকাৰী যন্ত্ৰটো শক্তিশালী কৰিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি ৰাজ্য চৰকাৰৰ ২৬,০০০ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে আন এক নিযুক্তি প্ৰক্ৰিয়া চলি আছে। মোৰ চৰকাৰে এই বছৰ ঘোষণা কৰা অনুসৰি ১ লাখ নিযুক্তি প্ৰদানৰ কাম সম্পূৰ্ণ কৰিব।

(২১) পৰিসংখ্যা অনুসৰি 'যৌন নিৰ্যাতনৰ পৰা শিশুৰ সুৰক্ষা আইন, ২০১২' আৰু 'বাল্য বিবাহ প্ৰতিৰোধ আইন' অমান্য কৰি অসমত এতিয়াও

বাল্য বিবাহৰ ঘটনা সংঘটিত হৈ আছে। ইয়াৰ ফলস্বৰূপে ৰাজ্যখনত গৰ্ভৱতী মাতৃ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰে বিষয়টো অতি গুৰুত্বসহকাৰে লৈছে আৰু বাল্য বিবাহৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰিছে। ২০২৩ বৰ্ষৰ ৩ ফেব্ৰুৱাৰীৰ পৰা মোৰ চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে এক বৃহৎ অভিযান আৰম্ভ কৰিছে আৰু এতিয়ালৈকে বাল্য বিবাহ বিষয়ক আইন ভংগৰ অপৰাধ কৰা প্ৰায় ২,৭৮৯ জন লোকক আটক কৰা হৈছে। বাল্য বিবাহৰ বলি হোৱাসকলৰ বাবে মোৰ চৰকাৰে এক সাহায্য তথা পুনৰ সংস্থাপন পেকেজৰ ব্যৱস্থা কৰিব।

(২২) উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যখনত দৃষ্টান্তমূলক পৰিৱৰ্তন সাধন কৰাৰ বাবে মোৰ চৰকাৰখনে গ্ৰহণ কৰা কেতবোৰ প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰাৰ পিছত মই এই সদনৰ মাননীয় সদস্যসকলক পৰৱৰ্তী বছৰটোৰ বাবে মোৰ চৰকাৰে স্থিৰ কৰা কেইটামান বিশেষ লক্ষ্যৰ বিষয়ে জনাবলৈ পালে সুখী হ'ম। উন্নয়নৰ আঁচনিৰ ধাৰাবাহিকতা আৰু সামগ্ৰিক উন্নয়ন অব্যাহত ৰখাৰ বাবে মোৰ চৰকাৰে এক ভৱিষ্য-দৰ্শন আৰু সপোন লৈ আগবাঢ়িছে। মই এই ভৱিষ্য-দৰ্শনৰ বিষয়ে উল্লেখ কৰিবলৈ ভাল পাম।

(ক) মোৰ চৰকাৰে এক লাখ যুৱক-যুৱতীক নিযুক্তিৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহাৰ কথা মই অলপ আগতে উল্লেখ কৰিছোঁ। কিন্তু এতিয়া মোৰ চৰকাৰে এনে এক পৰিৱেশ তন্ত্ৰ সৃষ্টি কৰাৰ লক্ষ্য লৈছে, য'ত যুৱক-যুৱতীয়ে চাকৰি বিচৰাৰ বিপৰীতে চাকৰিৰ সৃষ্টি কৰিব। আগন্তুক ৩৬ মাহত মোৰ চৰকাৰে ব্যাপক হাৰত আত্মসংস্থাপনৰ সুবিধাৰ সৃষ্টি কৰিব, যি যুৱক-যুৱতীক আত্মনিৰ্ভৰ কৰাৰ লগতে গ্ৰাম্য অৰ্থনীতিৰ পুনৰ উত্থানতো সহায় কৰিব।

(খ) শিশু স্বাস্থ্যৰ ক্ষেত্ৰত ৰাজ্যখনে শেহতীয়া বছৰকেইটাত চমকপ্ৰদ উন্নয়ন লাভ কৰিছে। এন এফ এইছ এছ -৫ ৰ পৰিসংখ্যা অনুসৰি ৰাজ্যখনত পাঁচ বছৰৰ তলৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰৰ ক্ৰমাগত হ্ৰাস পোৱা দেখা গৈছে। কিন্তু একেসময়তে পৰিসংখ্যাই দেখুৱাইছে যে বাল্য বিবাহ আৰু কম বয়সতে গৰ্ভধাৰণৰ শতকৰা হাৰ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে, যাৰ শিশুৰ স্বাস্থ্যৰ ওপৰত পোনপটীয়া প্ৰভাৱ কৰে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি মোৰ চৰকাৰে শিশু স্বাস্থ্য ক্ষেত্ৰৰ উন্নয়নৰ বাবে মিছন ম'ডত কাৰ্যব্যৱস্থা হাতত ল'ব।

(গ) মোৰ চৰকাৰে এতিয়ালৈকে অসম মাইক্ৰ'ফাইনেন্স উদ্‌গণি আৰু সাহাৰ্য আঁচনি (এ এম এফ আই আৰ এছ), ২০২১ ৰ অধীনত পৰ্যায়-১ আৰু পৰ্যায়-২ ৰ ৰূপায়ন সম্পূৰ্ণ কৰিছে, যাৰ পৰা ১০ লাখ গৰাকী ঋণী উপকৃত হৈছে। এই প্ৰক্ৰিয়া আগবঢ়াই নি মোৰ চৰকাৰে উৎপাদনহীন সম্পদ ( এন পি এ) ৰ তৃতীয় পৰ্যায়ত ধাৰ দিওতাসকললৈ পৰিশোধৰ ব্যৱস্থা কৰি ঋণী মহিলাসকলক ঋণমুক্ত কৰিব।

(ঘ) শিক্ষাৰ ওপৰত প্ৰদান কৰা গুৰুত্ব অব্যাহত ৰাখি মোৰ চৰকাৰে শিক্ষাক্ষেত্ৰৰ নৱজাগৰণৰ বাবে এক সৰ্বাত্মক পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা কৰিছে। শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নত বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব। ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নত কৰা হ'ব আৰু কেইবাশ নতুন বিদ্যালয়ৰ কাম হাতত লোৱা হ'ব।

(ঙ) সেইদৰে ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চশিক্ষাৰ সুবিধা বৃদ্ধিৰ বাবে মোৰ চৰকাৰে বহুজনসংখ্যক মহাবিদ্যালয় স্থাপন কৰিব।

(চ) অসমত যোৱা বছৰসমূহত নগৰীয়া জনসংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এই লোকসকলৰ স্বাস্থ্যজনিত সমস্যাসমূহৰ বাবে মোৰ চৰকাৰে ইতিমধ্যে বহু পদক্ষেপ গ্ৰহণ কৰিছে। নগৰ আৰু চহৰাঞ্চলত থকা লোকৰ কাৰণে স্বাস্থ্য সেৱা সুলভ আৰু ব্যয়সাধ্য কৰি তোলাত মোৰ চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিব।

(ছ) অৰুণোদয় আঁচনিৰ জৰিয়তে কেইবা নিযুত লোকে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিবলৈ সহায় পোৱাৰ প্ৰতি লক্ষ্য ৰাখি মোৰ চৰকাৰে এক বিশেষ সামূহিক নিৰ্দেশনাৱলী স্থিৰ কৰি অৰুণোদয় ২.০ ইতিমধ্যে আৰম্ভ কৰিছে। এই আঁচনিৰ অধিক সবলীকৰণৰ জৰিয়তে দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ আৰ্থিক আৰু সামাজিক অৱস্থা উন্নীতকৰণৰ বাবে ব্যৱস্থা লোৱা হ'ব।

(জ) অসমৰ চাহ উৎপাদনৰ এক সুদীৰ্ঘ ইতিহাস আছে। ১৮২৩ চনত চিংফৌ সম্প্ৰদায়ৰ মুৰব্বী চিংফৌ গাম বা বিছা গামে ইষ্ট ইণ্ডিয়া কোম্পানীৰ মেজৰ ৰবৰ্ট ব্ৰুছক প্ৰথম চাহপুলি উপহাৰ দিছিল। তেতিয়াহে বৃটিছসকলে চাহ অসমৰ থলুৱা গছ বুলি আৱিষ্কাৰ কৰিলে। সেই অনুসৰি অসমৰ চাহে এইবাৰ

২০০ বছৰ সম্পূৰ্ণ কৰিলে। সেইবাবে এই খণ্ডটোৰ উন্নয়নৰ বাবে আৰু ৰাজ্যখনৰ চাহ বাগিচাৰ ভাই-ভনীসকলৰ কল্যাণৰ বাবে বহুকেইখন আঁচনি গ্ৰহণ কৰা হৈছে।

(ঝ) সকলোৰে বাবে এক মৰ্যাদাসম্পন্ন জীৱন নিশ্চিত কৰিবৰ বাবে মোৰ চৰকাৰে মৌলিক মানৱীয় প্ৰয়োজনীয়াখিনি পূৰণৰ কাৰণে কাম কৰি আছে। এন এফ এছ এৰ অধীনৰ খাদ্যশস্য যোগান ধৰাৰ ওপৰি সকলোৰে বাবে স্বাস্থ্য আৰু গৃহৰ নিশ্চিতিকৰণৰ বাবে আমি কাম কৰি যাম। মোৰ চৰকাৰে সকলো নাগৰিকে নিজৰ বুলি দাবী কৰিব পৰা বস্তুগত সামগ্ৰী লাভৰ ব্যৱস্থা নিশ্চিত কৰাৰ লক্ষ্য স্থিৰ কৰিছে। ইয়াৰ বাবে মোৰ চৰকাৰে এলানি পদক্ষেপ গ্ৰহণ কৰিব, যি বিশদভাৱে এই বাজেটত প্ৰতিফলিত হ'ব।

সন্মানীয় সদস্যসকল,

(২৩) মোৰ ভাষণত এতিয়ালৈকে মোৰ চৰকাৰে ৰাজ্যখনৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন নীতি আৰু আঁচনিৰ বিষয়ে আপোনালোকক ধাৰণা দিয়াৰ চেষ্টা কৰা হ'ল। এতিয়া মোৰ চৰকাৰখনে নিৰন্তৰভাৱে কাম কৰি থকা ইয়াৰে কিছুমান ক্ষেত্ৰৰ বিষয়ে মই বিশদভাৱে উল্লেখ কৰিবলৈ বিচাৰিছোঁ।

**(ক) ইতিহাস আৰু সংস্কৃতিৰ পৃষ্ঠপোষকতা**

(২৪) মোৰ চৰকাৰখন ৰাজ্যৰ বিভিন্ন খিলঞ্জীয়া সম্প্ৰদায়ৰ সাংস্কৃতিক পৰিচয় সংৰক্ষণৰ বাবে সংকল্পবদ্ধ। অসম হ'ল বাৰেবৰণীয়া সংস্কৃতি আৰু জাতি-জনজাতিৰ মিলনভূমি। এই ৰাজ্যখনৰ ইতিহাস অতি প্ৰাচীন আৰু অতীজৰ সময়ছোৱাত ইয়াৰ কিম্বদন্তিস্বৰূপ মহানায়কসকলে ৰাজ্যখনক বহিৰাগতৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ লগতে অঞ্চলটোত এক অনন্য সংস্কৃতি আৰু সভ্যতা গঢ় দিয়াত সহায় কৰিছিল। মোৰ চৰকাৰখনে বিশ্বাস কৰে যে পূৰ্বপুৰুষসকলৰ পৰা লাভ কৰা ৰাজ্যৰ চহকী সংস্কৃতি আৰু অতীতৰ পৰা প্ৰেৰণা লাভ কৰি ভৱিষ্যতৰ পথত আমি আগবাঢ়ি যাম।

(২৫) মোৰ চৰকাৰে যোৰহাটৰ হোলোঙাপাৰত লাচিত বৰফুকনৰ এক বৃহৎ স্মাৰক নিৰ্মাণৰ বাবে পদক্ষেপ লৈছে। উত্তৰ গুৱাহাটীৰ সমীপৱৰ্তী আলাবৈ

যুদ্ধক্ষেত্ৰত আত্মবলিদান দিয়া অসমীয়া সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ মোৰ চৰকাৰে কামৰূপ জিলাৰ দদৰাস্থিত পচৰিয়া গাঁৱত এক যুদ্ধ স্মাৰক নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

(২৬) গোৱালপৰীয়া লোকগীতলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডে ৰাজ্যৰ প্ৰতিগৰাকী নাগৰিকৰ বাবে সদায় স্মৰণীয়। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহটো সংৰক্ষণ কৰাৰ বাবে মোৰ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। এক স্মাৰক হিচাপে গঢ়ি তোলাৰ বাবে বাসগৃহটো ইতিমধ্যে চৰকাৰে অধিগ্ৰহণ কৰিছে।

(২৭) অসমীয়া সংস্কৃতিৰ প্ৰতীক গামোচাখন সাধাৰণতে আদৰণীয়জনক শ্ৰদ্ধা জনোৱাৰ বাবে আগবঢ়োৱা হয়। গামোচাৰ বাবে জি আই টেগ লাভ কৰাটো ২০২২ বৰ্ষত লাভ কৰা গুৰুত্বপূৰ্ণ সফলতাসমূহৰ ভিতৰত অন্যতম। ই নকল গামোচাৰ উৎপাদন ৰোধ কৰাৰ লগতে ৰাজ্যখনৰ শিপিনীসকলক বিশেষভাৱে উপকৃত কৰিছে। হাতে বোৱা গামোচাৰ বিপণনৰ প্ৰসাৰৰ বাবেও চৰকাৰে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰি আছে।

**(খ) সামাজিক ব্যাধি নিৰ্মূলকৰণ**

(২৮) সামাজিক ব্যাধিসমূহ নিৰ্মূল হ'লেহে এখন সমাজ প্ৰগতিৰ বাটেৰে অগ্ৰসৰ হ'ব পাৰে। ব্যক্তিৰ উৎকৰ্ষ সাধনৰ বাবে সামাজিক ব্যাধি নিৰ্মূলকৰণ এক পূৰ্বচৰ্ত। সেইবাবে মোৰ চৰকাৰে সকলো ধৰণৰ সামাজিক ব্যাধি নিৰ্মূল কৰি অসমখনক ৰাজ্যবাসীৰ বাবে সৰ্বোত্তম বাসভূমি হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ লৈছে।

(২৯) অসম আৰক্ষীয়ে ড্ৰাগছৰ প্ৰচলনৰ বিৰুদ্ধে এক যুদ্ধ ঘোষণা কৰিছে। ড্ৰাগছৰ বিৰুদ্ধে গ্ৰহণ কৰা অবিৰত পদক্ষেপৰ ফলস্বৰূপে ২০২৩ চনৰ ২ মাৰ্চ পৰ্যন্ত এন ডি পি এছ আইনৰ অধীনত ৫১৯১ টা গোচৰ পঞ্জীভুক্ত কৰা হৈছে আৰু বৃজন পৰিমাণৰ ড্ৰাগছৰ সৈতে ৮৬৩২ গৰাকী অধিক ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰা হৈছে। তদুপৰি, ২০২২ বৰ্ষৰ ৩১ ডিচেম্বৰলৈ অসম আৰক্ষীয়ে মানৱ সৰবৰাহৰ ২০৩ টা গোচৰ পঞ্জীয়ন কৰাৰ লগতে ১৭৩ জন মানৱ সৰবৰাহকাৰীক আটক আৰু ৩৫৮ গৰাকী পীড়িতক উদ্ধাৰ কৰিছে।

(৩০) কেইটামান বছৰৰ আগলৈকে ৰাজ্যবাসীয়ে পুৱা টোপনিৰ পৰা সাৰ পায়েই কাজিৰঙা আৰু আন ৰাষ্ট্ৰীয় উদ্যানসমূহত হোৱা এশিঙীয়া গঁড় নিধনৰ বাতৰি পাইছিল ! কিন্তু মোৰ চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে অসমৰ শেহতীয়া ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে ২০২২ বৰ্ষটোত এটাও গঁড় চোৰাং চিকাৰীৰ হাতত নিধন নোহোৱাৰ অভিলেখ স্থাপন হৈছে। চোৰাং চিকাৰৰ বিৰুদ্ধে মোৰ চৰকাৰে গ্ৰহণ কৰা শূন্য সহনশীল নীতিয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে।

(গ) **ৰাজ্যিক অৰ্থনীতিৰ সবলীকৰণ**

(৩১) মই ইতিমধ্যে উল্লেখ কৰিছোঁ যে অসমৰ অৰ্থনীতিৰ আমূল পৰিবৰ্তনৰ বাবে মোৰ চৰকাৰখনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কৃষকসকলক সুখী কৰা আৰু উদ্যোগপতিসকলৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টিকে সামৰি সকলো দিশতে অসমৰ অৰ্থনীতিৰ এতিয়ালৈকে অব্যৱহৃত সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ ব্যৱহাৰৰ লক্ষ্যৰে বৃহৎসংখ্যক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থাসমূহে এতিয়া সুফল দেখুৱাবলৈ আৰম্ভ কৰিছে। ক'ভিড-১৯ মহামাৰীৰ পৰিৱেশ নেওচি ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিয়েই ইয়াৰ এক উৎকৃষ্ট উদাহৰণ।

(৩২) ২০২২-২৩ বিত্তীয় বৰ্ষ প্ৰথম দুটা ত্ৰৈমাসিকত (২০২২ বৰ্ষৰ ৩০ ছেপ্টেম্বৰলৈ) এম এছ এম ইৰ অগ্ৰাধিকাৰ খণ্ডলৈ ১০,১৬১.৬৫ কোটি টকাৰ ঋণ আগবঢ়োৱা হৈছে। মুদ্ৰা (MUDRA) আঁচনিৰ অধীনত ২,০১৪.২৯ কোটি টকাৰ ঋণ আগবঢ়োৱা হৈছে। এই কেলেণ্ডাৰ বৰ্ষত ২০২২ বৰ্ষৰ ৩০ ছেপ্টেম্বৰলৈ এম এছ এম ই খণ্ডলৈ আগবঢ়োৱা মুঠ ঋণৰ পৰিমাণ ১২,৬৩৬.০৪ কোটি টকা আৰু মুদ্ৰা আঁচনিৰ অধীনত মুকলি কৰা ঋণৰপৰিমাণ হ'ল ৩,৩৪৪.৭৫ কোটি টকা।

(৩৩) এম এছ এম ই খণ্ডক ঋণ লাভত সহায় কৰিবলৈ মোৰ চৰকাৰে SIDBI-CGTMSEৰ সহযোগত ২ কোটি টকাৰ অতিৰিক্ত 'ছভেৰেইন গ্যাৰাণ্টি' আগবঢ়োৱাৰ বাবে অসম ক্ৰেডিট গ্যাৰাণ্টি আঁচনিত অনুমোদন জনাইছে। আশা কৰা হৈছে যে ই এম এছ এম ই খণ্ডলৈ ৫,০০০ কোটি টকাৰ ঋণৰ পথ মুকলি কৰিব।

(৩৪) ৰাজ্যখনত বৈদ্যুতিক বাহনৰ ব্যৱহাৰ বৃদ্ধি কৰিবলৈ মোৰ চৰকাৰে অসম বৈদ্যুতিক বাহন নীতি, ২০২১ গ্ৰহণ কৰিছে। এক স্বচ্ছ পৰিৱেশৰ দিশত এই নীতি এক ইতিবাচক পদক্ষেপ।

(৩৫) এম এছ এম ই সমূহক অধিক সহায় আগবঢ়াবলৈ অসম লঘু বিকাশ ট্ৰাষ্ট নামেৰে এক অসম ষ্টাৰ্টআপ ভেনচাৰ কেপিটেল ফাণ্ড গঠন কৰা হ'ব, যি স্থানীয় ষ্টাৰ্টআপ ব্যৱস্থাৰ বাবে এক ইতিবাচক পৰিৱেশ সৃষ্টি কৰাৰ লগতে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা সৃষ্টি কৰিব আৰু ই প্ৰতিভাশালী যুৱচামক অসমতে থাকিবলৈ প্ৰেৰণা যোগাব।

(৩৬) মোৰ চৰকাৰে ২৫.৬৫ কোটি টকা মূল্যত ৬ টা কোৱাৰ্টজাইট আৰু এটা চীনা মাটিৰ খনিৰ নিলাম কৰিছে। ডিমা হাছাও জিলাত ৬ টা চূণশিলৰ আৰু ধুবুৰী জিলাত এটা লোৰ খনি নিলাম কৰাৰ বাবে বিনিময় উপদেষ্টা হিচাপে এছ বি আই কেপিটেল মাৰ্কেট লিমিটেডৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। পোন প্ৰথমবাৰৰ বাবে ভাৰত চৰকাৰে চূণশিল, লো আৰু চিলিমিনাইটৰ তিনিটা অনুসন্ধান প্ৰকল্পত অনুমোদন জনাইছে। কয়লা মন্ত্ৰালয়ে জি-৪ পৰ্যায়লৈকে ডিমা হাচাও জিলাত কয়লা অনুসন্ধানৰ বাবে প্ৰযুক্তিগত অনুমোদন আগবঢ়াইছে।

**(ঘ) সামাজিক সুৰক্ষাৰ ব্যৱস্থা ঃ**

(৩৭) সামাজিক ন্যায় আৰু সামাজিক সম্প্ৰীতিৰ নীতি অনুসৰণ কৰাৰ বাবে চৰকাৰখন সংকল্পবদ্ধ। এই লক্ষ্যৰে সামাজিক নিৰাপত্তাৰ বাবে এক ইতিবাচক পৰিৱেশ সৃষ্টিৰে সমাজৰ বিভিন্ন শ্ৰেণীৰ সবলীকৰণৰ ওপৰত মোৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

(৩৮) মোৰ চৰকাৰে সমগ্ৰ ৰাজ্যখনৰ লাখ লাখ আৰ্থিকভাৱে দুৰ্বল আৰু অনগ্ৰসৰ পৰিয়াললৈ অৰ্থনৈতিক আৰু পৰিপুষ্টিমূলক সুৰক্ষা প্ৰদান কৰাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। অৰুণোদয় আঁচনিৰ অধীনত মাহিলি অৰ্থ সাহায্যৰ পৰিমাণ ২০২২ ৰ অক্টোবৰৰ পৰা ১০০০ টকাৰ পৰা ১২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ ১৭ লাখৰো অধিক পৰিয়াল উপকৃত হৈছে। অৰুণোদয় আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা ২৭ লাখলৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবে ২০২৩ ৰ এপ্ৰিলৰ পৰা বছৰি আনুমানিক ৪০০০ কোটি টকাতকৈ অধিক ব্যয় হ'ব।

(৩৯) বাৰে বাৰে অহা ক'ভিড-১৯ মহামাৰীৰ সময়ছোৱাত মাইক্ৰ'ফাইনেন্স ঋণৰ বোজাত পোত গৈ থকা লোকসকলক সহায় কৰিবলৈ ২০২১ বৰ্ষত ১৮০০ কোটি টকা (প্ৰায়) ব্যয় সাপেক্ষে ঋণ লোৱা প্ৰায় ১০ লাখ লোকক উপকৃত কৰি অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনিখন আৰম্ভ কৰা হয়।

(৪০) মোৰ চৰকাৰে দেশৰ স্বাধীনতা আন্দোলনত নিজৰ জীৱন উৎসৰ্গা কৰা ১৯ গৰাকী শ্বহীদৰ নিকট আত্মীয়ৰ প্ৰতিগৰাকীলৈ ৫,০০,০০০ টকা প্ৰদান কৰিছে। ২০২২ চনৰ ১৫ জুনত শ্বহীদ কুশল কোঁৱৰৰ মৃত্যু বাৰ্ষিকীত উপৰোক্ত ধনৰ ধনাদেশ বিতৰণ কৰা হৈছে।

(৪১) ২০২৪ বৰ্ষৰ ভিতৰত সকলোৰে বাবে আশ্ৰয় নিশ্চিত কৰাৰ কাৰণে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৰাজ্যখনত ১৭,০৯,৬২৬ টা PMAY-G আৱাসত অনুমোদন জনাইছে। ৭,১৫,৬১৮ টা আৱাসৰ কাম সম্পূৰ্ণ হৈছে। ইয়াৰ উপৰি মোৰ চৰকাৰে জল জীৱন অভিযানৰ অধীনত খোৱাপানীৰ সংযোগ, সৌভাগ্য আঁচনিৰ অধীনত বিদ্যুৎ সংযোগ, উজ্জ্বলা আঁচনিৰ অধীনত গেছ সংযোগ আদিৰ দৰে অতিৰিক্ত সা-সুবিধা প্ৰদান কৰি আছে।

(৪২) প্ৰধানমন্ত্ৰী আদি আদৰ্শ গ্ৰাম যোজনা আঁচনি অনুসৰি ৫০ শতাংশ জনজাতি বসতিপ্ৰধান গাঁৱক আদৰ্শ গাঁৱলৈ ৰূপান্তৰ কৰাৰ বাবে মোৰ চৰকাৰে ২০২১-২২ বৰ্ষৰ পৰা ২০২৫-২৬ বৰ্ষলৈ আচঁনিখনৰ ৰূপায়নৰ বাবে মুঠ ১৭০০ খন গাঁও চিনাক্ত কৰিছে। মুঠ ৮৫৮ খন গাঁৱৰ বাবে পুঁজিৰ অনুমোদন দিয়া হৈছে।

(৪৩) মোৰ চৰকাৰে সাংবাদিকৰ চিকিৎসা কল্যাণ আঁচনিখন সফলতাৰে ৰূপায়ণ কৰি আছে আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত ২৯ গৰাকী সাংবাদিকক ১০.১২ লাখ টকা মূল্যৰ সাহায্য প্ৰদান কৰা হৈছে। সাংবাদিকৰ বাবে পেঞ্চন আঁচনিৰ অধীনত ২০২২-২৩ বৰ্ষত ২০ জন সাংবাদিকক পেঞ্চন আগবঢ়োৱা হৈছে। এই পৰ্যন্ত মাহে ৮০০০ টকাকৈ ১২০ গৰাকী সাংবাদিকক পেঞ্চন প্ৰদান কৰা হৈছে।

(ঙ) স্বায়ত্তশাসিত পৰিষদ ঃ

(৪৪) অসমত বাস কৰা লোকসকলৰ উন্নয়ন আৰু সমবিকাশৰ বাবে মোৰ চৰকাৰখন সংকল্পবদ্ধ। এই লক্ষ্যৰে স্বায়ত্তশাসিত পৰিষদসমূহক সম্ভাৱনাপূৰ্ণ উন্নয়ন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে মোৰ চৰকাৰে পৰিকল্পনা যুগুত কৰি উলিয়াইছে যাতে এই অঞ্চলসমূহৰ লোকসকলৰ আশা-আকাংক্ষা পূৰণ কৰাটো সম্ভৱ হয়।

(৪৫) দুখন পাহাৰীয়া জিলাৰ সৰ্বাংগীন উন্নয়ন সাধনৰ অৰ্থে বিত্ত (বাজেট) বিভাগে ২০২২-২৩ বৰ্ষত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদলৈ এছ অ' পি ডি (জি) হিচাপে ৩৭,৩০০ লাখ টকা আৰু বিশেষ অনুদান হিচাপে ১০,০০০ লাখ টকা আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদলৈ এছ অ' পি ডি (জি) হিচাপে ১৯,৩৭৮ লাখ টকা আৰু বিশেষ অনুদান হিচাপে ৬২,০০০ লাখ টকা প্ৰদানৰ ব্যৱস্থা কৰিছে।

(৪৬) কাৰ্বি আংলং জিলাৰ ডিফুত নতুন চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান, বাগৰি প্ৰৱেশ পইণ্টত টুৰিষ্ট লজৰ দৰে বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্প ৰূপায়ণ কৰা হৈছে। তদুপৰি উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদত বহুমহলীয়া পাৰ্কিং, সাংস্কৃতিক প্ৰতিষ্ঠান গৃহৰ নিৰ্মাণ, হাফলং মিছন ৰোডৰ উন্নীতকৰণ, হাফলং বজাৰ/নগৰৰ সৌন্দৰ্যবৰ্ধন আদিৰ কাম পৰিষদে আৰম্ভ কৰিছে। ইয়াৰ ওপৰি, ২০২২ বৰ্ষৰ ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত কৃষি মহাবিদ্যালয়, মাঞ্জাত পশু চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে আৰু পি এম ডিভাইন (PM-Devine)ৰ অধীনত পশ্চিম কাৰ্বি আংলঙত চৰকাৰী ডিগ্ৰী কলেজ নিৰ্মাণৰ কাম হাতত লোৱা হ'ব।

(৪৭) বড়োলেণ্ড টেৰিটৰিয়েল অঞ্চলৰ অন্তৰ্গত বিভিন্ন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৯৩৫ গৰাকী টেট উত্তীৰ্ণ সহকাৰী শিক্ষক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হৈছে। বি টি আৰ ৰ চিৰাং, বাক্সা আৰু ওদালগুৰিত তিনিখন চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰা হৈছে। ওদালগুৰিৰ ভেৰগাঁৱত ওদালগুৰি পলিটেকনিকৰ উদ্বোধন কৰা হৈছে আৰু ইয়াৰ শৈক্ষিক

বৰ্ষ আৰম্ভ হৈছে। চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাত ৩ খন জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) ৰ শৈক্ষিক ভৱনৰ উদ্বোধন কৰা হৈছে।

**(চ) শান্তি আৰু নিৰাপত্তা ঃ**

(৪৮) মোৰ চৰকাৰ সকলোৰে বাবে শান্তি আৰু নিৰাপত্তাৰ প্ৰয়োজনীয়তাৰ প্ৰতি সচেতন। মই এইটো ক'বলৈ পাই সুখী যে এসময়ত অশান্ত অঞ্চল বুলি গণ্য কৰা অসম আজি সমগ্ৰ ৰাজ্যতে বৰ্তি থকা শান্তি আৰু নিৰাপত্তাৰ বাবে প্ৰশংসিত হৈছে। ৰাজ্যখনৰ জনসাধাৰণৰ শান্তিপ্ৰিয় প্ৰকৃতিৰ বাবে, মোৰ চৰকাৰৰ আইন-শৃংখলাৰ সু-ব্যৱস্থাপনা,সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীল নীতি আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰকৃত আশা আৰু আকাংক্ষা পূৰণৰ দিশত কাম কৰাৰ অদম্য প্ৰচেষ্টাৰ বাবে ই বহুলাংশে সম্ভৱ হৈছে। প্ৰায় সকলো উগ্ৰপন্থী গোটকে শান্তি প্ৰক্ৰিয়াৰ সৈতে জড়িত কৰি কেন্দ্ৰীয় চৰকাৰে আইন-শৃংখলাৰ পৰিস্থিতি অটুট ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

(৪৯) অপৰাধ নিয়ন্ত্ৰণ, উগ্ৰপন্থাৰে মোকাবিলা, জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰণ, ৰাজ্যৰ আইন-শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত ব্যতিক্ৰমী প্ৰদৰ্শনৰ স্বীকৃতি হিচাপে অসম আৰক্ষীক ৰাষ্ট্ৰপতিৰ নিচান (Colour Award) প্ৰদান কৰাটো গৌৰৱৰ বিষয়।

(৫০) মোৰ চৰকাৰে নিৰাপত্তা আৰু উন্নয়ন উভয় ক্ষেত্ৰতে গুৰুত্ব আৰোপ কৰি সকলো আন্তঃৰাজ্যিক সীমান্ত জিলা আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্ত জিলাক সঠিক পথ নেটৱৰ্কৰ সৈতে সংযোগ কৰাৰ দিশটোক সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। মোৰ চৰকাৰৰ এটা উল্লেখযোগ্য কৃতিত্ব হ'ল আমি আন্তঃৰাজ্যিক সীমা বিবাদসমূহ নিৰ্ণায়কভাৱে নিষ্পত্তি কৰাৰ বাবে এক সাহসী আৰু ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছোঁ।

**(ছ) সংস্কাৰ ঃ**

(৫১) মোৰ চৰকাৰে সংস্কাৰৰ জৰিয়তে জনসাধাৰণৰ ক্ষিপ্ৰ সাধন কৰাকে মূল নীতি হিচাপে গ্ৰহণ কৰাৰ বাবে এক পৰিবেশ গঢ়া আৰু পৃষ্ঠপোষকতা কৰাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ শাসন ব্যৱস্থাত জনসাধাৰণৰ অংশগ্ৰহণ

আৰু চৰকাৰৰ জনসাধাৰণৰ প্ৰতি জবাবদিহিতা বৃদ্ধিৰ বাবে শেহতীয়াকৈ চৰকাৰে কেইবাটাও সংস্কাৰমূলক পদক্ষেপ গ্ৰহণ কৰিছে।

(৫২) যোৱা বৰ্ষত মোৰ চৰকাৰে এক মিনি মিছন পদক্ষেপৰ অধীনত বিভিন্ন জিলাত বাস কৰা ৰাজ্যৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ১০৩৭ টা আশ্ৰয়ৰ প্ৰস্তাব নিষ্পত্তি কৰিছে। এই পদক্ষেপৰ অধীনত বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান, ব্যক্তিগত শিক্ষানুষ্ঠান, বিভিন্ন বেচৰকাৰী সংস্থা আৰু সমিতিসমূহক তেওঁলোকৰ প্ৰতিষ্ঠান স্থাপনৰ বাবে ৩১৯ টা প্ৰস্তাৱৰ বিপৰীতে ভূমি আবণ্টন দিয়া হৈছিল আৰু বাৰ্ষিক পট্টাক ম্যাদী পট্টালৈ ৰূপান্তৰিত কৰা হৈছিল।

(৫৩) ২০২১ বৰ্ষৰ ১০ মে'ৰ আগত দাখিল কৰা তথা বছৰ বছৰ ধৰি বিচাৰাধীন হৈ থকা পুৰণি ফাইলবোৰ নিষ্পত্তি কৰিবলৈ মোৰ চৰকাৰে অসম সচিবালয়ত 'মিছন সম্ভাৱনা' আৰম্ভ কৰিছিল। ২০২২ চনৰ ৩০ এপ্ৰিললৈকে মিছন সম্ভাৱনা-১ ৰ বাবে প্ৰস্তুত কৰা প'ৰ্টেলৰ জৰিয়তে মুঠ ২৫০২ খন আবেদন লাভ কৰা হৈছিল আৰু ইয়াৰ নিষ্পত্তিৰ হাৰ ১০০ শতাংশ আছিল। বৰ্তমান মিছন সম্ভাৱনা-২ ৰূপায়ণ হৈ আছে। ২০২১ বৰ্ষৰ ৭ অক্টোবৰত মুকলি কৰা এ আৰ টি পি এছ প'ৰ্টেলে সময় নিৰ্ধাৰিত চৰকাৰী সেৱা প্ৰদানৰ বাবে ১৩৪ টা অনলাইন সেৱাৰ যোগেদি নাগৰিকসকলক দ্ৰুত সেৱা প্ৰদানৰ ব্যৱস্থা কৰিছে।

(৫৪) পেঞ্চনাৰসকলৰ কষ্ট লাঘৱ কৰিবলৈ পেঞ্চনাৰ আৰু বিভাগসমূহক তেওঁলোকৰ পেঞ্চন কাগজ আপলোড কৰাৰ সহায়ক হোৱাকৈ 'কৃতজ্ঞতা' প'ৰ্টেল নামৰ এক ৱান ষ্টপ ডিজিটেল প্লেটফৰ্ম কাৰ্যকৰী কৰা হৈছে।

(৫৫) যুৱক-যুৱতীসকলক ১ লাখ চৰকাৰী চাকৰি প্ৰদানৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে মোৰ চৰকাৰে 'আছাম ডাইৰেক্ট ৰিক্ৰুইটমেণ্ট কমিছন ফৰ্ এনাল'গাছ পষ্টছ ইন ক্লাছ III এণ্ড ক্লাছ IV এক্ট, ২০২১'ৰ অধীনত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ অনুৰূপ পদৰ বাবে ৰাজ্যিক পৰ্যায়ৰ দুখন নিযুক্তি আয়োগ গঠন কৰিছে।

(৫৬) মোৰ চৰকাৰে ডি টি অ' কাৰ্যালয়লৈ যোৱাৰ প্ৰয়োজন নোহোৱাকৈ আধাৰভিত্তিক সংযোগবিহীন সেৱা প্ৰদানৰ বাবে উদ্যোগ হাতত লৈছে আৰু ইতিমধ্যে ৪৫ টা সংযোগবিহীন আৰু মুখবিহীন অনলাইন সেৱা আৰম্ভ কৰিছে।

(৫৭) মোৰ চৰকাৰে **দুৰ্নীতিৰ** প্ৰতি শূণ্য সহনশীল নীতি গ্ৰহণ কৰিছে আৰু চৰকাৰী কাৰ্যালয়ৰ পৰা দুৰ্নীতি সম্পূৰ্ণভাৱে নিৰ্মূল কৰাৰ সকলো প্ৰচেষ্টা হাতত লৈছে। এই সামাজিক ব্যাধি নিৰ্মূলৰ বাবে অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখা সক্ৰিয় হৈ আছে আৰু উৎকোচ গ্ৰহণ কৰি থকা অৱস্থাত বহু চৰকাৰী কৰ্মচাৰীক হাতে-লোটে ধৰা পেলাইছে।

(৫৮) ২০২১ চনৰ ১০ মে'ৰ পৰা ২০২৩ চনৰ ৬ মাৰ্চ পৰ্যন্ত মুঠ ৭১ টা ট্ৰেপ গোচৰ পঞ্জীয়ন হৈছে। এই ট্ৰেপ গোচৰসমূহত ১৮ গৰাকী ৰাজপত্ৰিত বিষয়া আৰু ৩ গৰাকী মধ্যভোগীসহ ৮১ গৰাকী চৰকাৰী চাকৰিয়ালক গ্ৰেপ্তাৰ কৰা হৈছে। তদাৰকী আৰু দুৰ্নীতি নিবাৰক, অসমে বৰ্তমান চৰকাৰৰ কাৰ্যকালত এতিয়ালৈকে ১,২৪,৮৬,১০০ নগদ টকা আৰু ৯৭.১৬০ গ্ৰাম সোণ উদ্ধাৰ কৰিছে।

**(জ) আন্তঃগাঁথনিৰ উন্নয়ন**

(৫৯) মোৰ চৰকাৰ জনসাধাৰণৰ কাৰণে বিশ্বমানৰ আন্তঃগাঁথনি আৰু উন্নত যোগাযোগ ব্যৱস্থা গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই মহৎ উদ্দেশ্য সাধনৰ বাবে মোৰ চৰকাৰে আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশৰ ওপৰত গুৰুত্ব দিছে। অন্ত্যোদয়া দৰ্শনেৰে উদ্বুদ্ধ হৈ সমাজৰ আটাইতকৈ শেষৰজন ব্যক্তিৰো উত্তৰণৰ প্ৰতি মোৰ চৰকাৰ দায়বদ্ধ। সেইকাৰণে ৰাজ্যখনৰ অতি দুৰ্গম আৰু পিছপৰা অঞ্চলৰো বাট-পথ, দলং নিৰ্মাণৰ লগতে মৌলিক আন্তঃগাঁথনি উন্নয়ন আৰু যোগাযোগ ব্যৱস্থা স্থাপনত মোৰ চৰকাৰে চেষ্টাৰ ত্ৰুটি কৰা নাই।

(৬০) ২০২২ চনৰ ২৮ এপ্ৰিলত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই অসমৰ ৫,১৪৭.৭৩ হেক্টৰ মাটিকালি সামৰি প্ৰস্তাৱিত ৩,০০৭ টা অমৃত সৰোবৰ নিৰ্মাণৰ শুভাৰম্ভ কৰে। ২০২৩ চনৰ ১৫ আগষ্টৰ ভিতৰত এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

(৬১) নতুন চিকিৎসা আন্তঃগাঁথনি নিৰ্মাণ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ দ্ৰুত উন্নয়নেৰে ২০২৬ চনৰ ভিতৰত অসমক উত্তৰ-পূৰ্বাঞ্চলৰ স্বাস্থ্যখণ্ডৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাত মোৰ চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আগবাঢ়ি আছে। ইয়াৰ লগতে চৰাইদেউ আৰু

বিশ্বনাথতো আন দুখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। কালাপাহাৰ চৌহদ আৰু মহেন্দ্রমোহন চৌধুৰী চিকিৎসালয়ক সামৰি প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। তদুপৰি ধেমাজি, তামুলপুৰ, গোলাঘাট, বঙাইগাঁও আৰু মৰিগাঁৱত ৫খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ আধাৰশিলা অলপতে স্থাপন কৰা হৈছে। ইয়াৰ উপৰি শিৱসাগৰ, কৰিমগঞ্জ আৰু গোৱালপাৰাত অন্য তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰা হৈছে। বৰ্তমানৰ ছয়খন চিকিৎসা মহাবিদ্যালয়ত ছুপাৰ স্পেচিয়েলিটী শাখা স্থাপন, ছয়খন জিলা চিকিৎসালয়ৰ আন্তঃগাঁথনি উন্নয়ন আৰু গুৱাহাটীত 'স্বাস্থ্য ভৱন' নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰ ফলত অসমৰ জনসাধাৰণে প্ৰয়োজনীয় সকলো চিকিৎসাৰ সা-সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব।

(৬২) ক্ৰীড়াৰ ক্ষেত্ৰত আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰে সমগ্ৰ অসমতে ১০ খন জিলা ষ্টেডিয়াম আৰু ৪০ খন মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাম হাতত লৈছে। ইয়াৰে ৯খন জিলা ষ্টেডিয়াম আৰু ৩২খন মিনি ষ্টেডিয়াম নিৰ্মাণত আবণ্টন দিয়া হৈছে আৰু শীঘ্ৰেই কাম আৰম্ভ হ'ব। ডিব্ৰুগড় জিলাৰ খনিকৰ, লখিমপুৰ জিলাৰ চাবটি আৰু শুৱালকুছিত ষ্টেডিয়াম নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত। যোৰহাট জিলাৰ বৰ্তমানৰ ক্ৰিকেট গ্ৰাউণ্ডখন আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰীড়া প্ৰকল্পলৈ উন্নীত কৰা হ'ব।

(৬৩) মোৰ চৰকাৰে নতুন দিল্লীৰ দ্বাৰকাত নতুন অসম ভৱন নিৰ্মাণ, চাণক্যপুৰীত থকা অসম ভৱন আৰু কলকাতাৰ ৰাছেল ষ্ট্ৰীটত অৱস্থিত অসম ভৱনৰ পুনৰ নিৰ্মাণৰ লগতে বাংগালুৰু আৰু ভেলোৰত অসম ভৱন নিৰ্মাণৰ কাম হাতত লৈছে।

(৬৪) গুৱাহাটীত সভাগৃহ তথা ৰাজ্যিক অতিথিশালা নিৰ্মাণৰ কামে অগ্ৰগতি লাভ কৰিছে আৰু ২০২৩ চনৰ জুলাই মাহৰ ভিতৰত কাম সম্পূৰ্ণ হ'ব। অসম বিধানসভাৰ নতুন ভৱনৰ বাকী থকা কাম চলি আছে আৰু পুৰণি বিধায়ক আৱাসৰ চৌহদত দুটা নতুন ১৫ মহলীয়া আৰ চি চি বিধায়ক আৱাস নিৰ্মাণ কৰিবলৈ লোৱা হৈছে আৰু নিবিদা প্ৰক্ৰিয়া চলি আছে।

(৬৫) মোৰ চৰকাৰৰ উদ্যোগত অসম মালা কাৰ্যসূচীৰ অধীনত অসমত পথ যোগাযোগ ব্যৱস্থা শক্তিশালীকৰণ আৰু উন্নীতকৰণ হৈছে। ৰাজ্যিক অগ্ৰাধিকাৰ উন্নয়ন উপাদানৰ অধীনত ১৮ টা কামৰ ৩৪৩ কিঃমিঃ দৈৰ্ঘ্যৰ পথ উন্নীতকৰণৰ কাম হাতত লোৱা হৈছে।

(৬৬) ব্ৰহ্মপুত্ৰৰ ওপৰত উত্তৰ গুৱাহাটী আৰু গুৱাহাটী সংযোগী এক্সট্ৰাডজড্ পি এছ চি দলং নিৰ্মাণৰ কাম চলি আছে। বৰ্তমানলৈকে ৬৬ শতাংশ কাম সম্পূৰ্ণ হৈছে। গুৱাহাটীত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ দলঙখনৰ উপযোগিতা বৃদ্ধিৰ বাবে উত্তৰ গুৱাহাটীত ৰাষ্ট্ৰীয় ঘাইপথৰ গৌৰীপুৰত ৩৩২.৫৯ কোটি ব্যয়সাপেক্ষ ট্ৰাম্পেট জংচনৰ প্ৰকল্পত অনুমোদন জনোৱা হৈছে।

(৬৭) ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰীৰ সৈতে শুৱালকুছি সংযোগী এখন ডাঙৰ দলং নিৰ্মাণৰ বাবে ৩১৯৭.২০ কোটি টকা অনুমোদন দিয়া হৈছে আৰু সোনকালেই ইয়াৰ কাম আৰম্ভ হ'ব।

(৬৮) গুৱাহাটীৰ আৰ জি বৰুৱা পথ আৰু এ টি ৰোডৰ মালিগাঁৱত নিৰ্মাণ কৰিবলৈ লোৱা এলিভেটেড পথৰ কাম ক্ৰমে ৪০ শতাংশ আৰু ৫৮ শতাংশ আগবাঢ়িছে। এই কাম সম্পূৰ্ণ হ'লে যাতায়াতৰ সময় হ্ৰাস হৈ মহানগৰবাসীৰ জীৱনলৈ উল্লেখযোগ্য পৰিৱৰ্তন আহিব।

(৬৯) ই গৌৰৱৰ বিষয় যে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (পি এম জি এছ ৱাই) ৰূপায়ণৰ ক্ষেত্ৰত অসম অগ্ৰণী ৰাজ্য। এই আঁচনি আৰম্ভ কৰাৰ পৰা অসমে ৩২,৪২১ কিঃমিঃ পথ নিৰ্মাণৰ বাবে ২২,০১৭ কোটি টকাৰ অনুমোদন লাভ কৰিছিল। বৰ্তমানলৈকে ৰাজ্যখনে ২১,৬৮৯ কোটি টকা ব্যয়েৰে ৩০,৭৮৪ কিঃমিঃ পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে। পি এম জি এছ ৱাই-ৰ অধীনত অসমলৈ আবণ্টিত অংশ ৪,৩২৫ কিঃমিঃৰ ভিতৰত ৩,৭৫৬ কিঃমিঃৰ বাবে ইতিমধ্যে অনুমোদন লাভ কৰা হৈছে। বাকী থকা ৫৬৯ কিঃমিঃৰ অনুমোদন শীঘ্ৰে লাভ কৰা হ'ব।

(৭০) সকলোৰে বাবে ব্যয়সাধ্য গৃহৰ ব্যৱস্থা কৰা আৰু গুৱাহাটী মহানগৰীত ভিৰ পাতলোৱাৰ উদ্দেশ্যে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে জাগীৰোডত

পূৰ্বৰ নগাঁও কাগজকলৰ ৫৫০ একৰ ভূমিৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চল সামৰি এখন ছেটেলাইট টাউনশ্বিপৰ বিকাশ সাধন কৰিবলৈ লৈছে।

(৭১) গুৱাহাটীৰ মহানগৰৰ বাসিন্দাৰ খোৱাপানী সমস্যা সমাধানৰ বাবে মোৰ চৰকাৰে অহৰহ প্ৰচেষ্টা চলাই আছে। ১৪টা জিলাভিত্তিক মিটাৰ এলেকা (ডিএমএ)সমূহৰ অধীনত থকা প্ৰায় ১২,০০০ পৰিয়ালক পানী যোগান ধৰাৰ ক্ষমতাৰে জাইকাৰ সহায়ত ৰূপায়িত গুৱাহাটী পানী যোগান প্ৰকল্পটো ২০২২ চনৰ চনৰ ২১ ডিচেম্বৰত আংশিকভাৱে আৰম্ভ কৰা হয়। বাকী থকা ১০৭টা ডিএমএত ২০২৩ চনৰ ফেব্ৰুৱাৰীৰ পৰা ২০২৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত পৰ্যায়ক্ৰমে পানী যোগান আৰম্ভ কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে ।

(৭২) বৈজ্ঞানিকভাৱে আৱৰ্জনা প্ৰক্ৰিয়াকৰণৰ বাবে মোৰ চৰকাৰে বেলৰতলত প্ৰতিদিনে ১৫০ টন ক্ষমতাসম্পন্ন পচন সাৰ তথা আৱৰ্জনাৰ পৰা উৎপাদিত ইন্ধন (আৰডিএফ) প্ৰকল্প স্থাপন কৰিছে। প্ৰকল্প নিৰ্মাণৰ কাম চলি আছে আৰু ২০২৩ চনৰ মাজভাগলৈকে এই প্ৰকল্প কাৰ্যক্ষম হৈ উঠিব।

(৭৩) ৰাজ্যৰ পৰ্যটন আন্তঃগাঁথনি উন্নয়নৰ অংশ হিচাপে মোৰ চৰকাৰে উত্তৰ-পূব পৰিষদৰ অধীনত 'শিৱসাগৰত বৌদ্ধ গন্তব্য কেন্দ্ৰ উন্নয়ন' আৰু ডিব্ৰুগড়ত 'চাহ সংগ্ৰহালয়' নামৰ দুটা প্ৰকল্প সম্পূৰ্ণ কৰিছে। উত্তৰ-পূব পৰিষদৰ অধীনত আন এক প্ৰকল্প 'কাজিৰঙাত ঐতিহ্য বাংলো উন্নয়ন'ৰ কাম কৰি আছে।

(৭৪) অসমত জলজীৱন অভিযান আৰম্ভ হোৱাৰ পৰা ইয়াৰ সফল ৰূপায়ণেৰে ২০২২ চনৰ ২৩ ডিচেম্বৰলৈকে সমগ্ৰ ৰাজ্যৰ ২৬,৫৭,১৯৫ টা গ্ৰাম্য পৰিয়ালক কাৰ্যকৰী ঘৰুৱা টেপ সংযোগ (এফ এইচ টি চি) প্ৰদান কৰা হৈছে অৰ্থাৎ ৪১.১৫ % পৰিয়ালক সামৰি লোৱা হৈছে।

**(ঝ) শিক্ষা**

(৭৫) মানৱ সম্পদৰ পূৰ্ণ বিকাশৰ বাবে প্ৰাথমিক প্ৰয়োজন হৈছে শিক্ষা। অসমত গুণগত শিক্ষাৰ সাৰ্বজনীন সুবিধা প্ৰদান কৰাটোৱেই হৈছে অৰ্থনৈতিক বিকাশ, সামাজিক ন্যায়, বৈজ্ঞানিক অগ্ৰসৰতা আৰু সাংস্কৃতিক সংৰক্ষণৰ ভিত্তিত উন্নয়নৰ মূল চাবিকাঠি। শিক্ষা আৰু জ্ঞান অৰ্থনীতিৰ বিকাশৰ বাবে অসমত

অনুকূল পৰিৱেশ বিৰাজমান। বিজ্ঞানক সাধাৰণ মানুহৰ সেৱাত ব্যৱহাৰ কৰিবৰ বাবে মোৰ চৰকাৰে মৌলিক গৱেষণা আৰু উদ্ভাৱনৰ কাৰণে এক পৰিৱেশ তন্ত্ৰ সৃষ্টিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰিছে।

(৭৬) ২০১০ চনৰ পৰা আৰম্ভ হোৱা দশকটোত যোৰহাট, বৰপেটা, তেজপুৰ, ডিফু আৰু লখিমপুৰত ৫খন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল। ইয়াৰ ফলত এমবিবিএছ পাঠ্যক্ৰমত আসনৰ সংখ্যা বছৰি মুঠ ১১০০ হৈছিল। ২০২২ বৰ্ষত ধুবুৰী চিকিৎসা মহাবিদ্যালয়ে নেশ্যনেল মেডিকেল কমিচন(এনএমচি)ৰ পৰা ১০০ আসনৰ অনুমতি লাভ কৰাৰ পাছত এই সংখ্যা ১২০০ হয়। ২০২৩ বৰ্ষত কোকৰাঝাৰ আৰু নগাঁৱত দুখন নতুন চিকিৎসা মহাবিদ্যালয়লৈ অনুমতি পত্ৰ প্ৰদানৰ পিছত অসমত এমবিবিএছৰ মুঠ বাৰ্ষিক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৪০০ হৈছেগৈ। নলবাৰী চিকিৎসা মহাবিদ্যালয়ে প্ৰয়োজনীয় অনুমতি পত্ৰ পালে এই আসনৰ সংখ্যা ১৫০০ হ'বগৈ। ইতিমধ্যে কাৰ্যক্ষম হোৱা সকলো চিকিৎসা মহাবিদ্যালয়ত ৰোগীৰ বাবে তৃতীয় স্তৰৰ যত্ন আৰু চিকিৎসা প্ৰদান কৰিবলৈ অত্যাধুনিক ৫০০ বিচনাযুক্ত তৃতীয় স্তৰৰ চিকিৎসালয়ৰ সু-ব্যৱস্থা আছে।

(৭৭) নৱপ্ৰজন্মৰ মাজত বিজ্ঞান-মানসিকতাৰ প্ৰসাৰৰ বাবে মোৰ চৰকাৰে ৬টা জিলা বিজ্ঞান কেন্দ্ৰ তথা তাৰকাগৃহ আৰু ১১টা জিলা বিজ্ঞান কেন্দ্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। ইয়াৰ উপৰি গুৱাহাটীৰ টেপেছিয়াত প্ৰস্তাৱিত বিজ্ঞান নগৰী প্ৰকল্পত সভাগৃহ, স্পেচ অডিচি বিল্ডিং এণ্ড ছাইন্স ডিছকভাৰী কমপ্লেক্স নিৰ্মাণৰ কাম চলি আছে।

(৭৮) নতুন শিক্ষা নীতিৰ লগত সংগতি ৰাখি মোৰ চৰকাৰে আৰু ৭১৬ খন বিদ্যালয়ক চাৰিটা শ্ৰেণীৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ লক্ষ্যৰে ২১৪খন হাইস্কুলক চাৰিটা শ্ৰেণীৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছিল। মোৰ চৰকাৰে অংগনবাড়ীত তিনি বছৰ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ত দুবছৰ একত্ৰীকৰণৰ জৰিয়তে পঞ্চম শ্ৰেণীৰ বুনিয়াদী শিক্ষা হিচাপে নামকৰণ কৰাত অনুমোদন জনাইছে আৰু এতিয়া এজন শিশুৰ বিদ্যালয়ৰ প্ৰস্তুতি ৩ বছৰ বয়সৰ পৰা আৰম্ভ হ'ব।

(৭৯) অসমৰ চাহ বাগিচা অঞ্চলত শৈক্ষিক পৰিৱেশ বিকাশৰ লক্ষ্যৰে মোৰ চৰকাৰে ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰৰ পাছত প্ৰথমবাৰৰ বাবে ১১৯ খন আদৰ্শ হাইস্কুল স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিলে। ইয়াৰে ৯৭ খন বিদ্যালয়ত ২০২২-২৩ চনৰ শৈক্ষিক বৰ্ষৰ পৰা শিক্ষাদানৰ কাম আৰম্ভ কৰা হৈছে। ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয়ে ৰাজ্যত আৰু ১০০ খন চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল।

(৮০) পি এম ডিভাইনৰ অধীনত মোৰ চৰকাৰে বৰ্তমানৰ বিদ্যালয়সমূহক অত্যাধুনিক আন্তঃগাঁথনিৰে সম্পূৰ্ণ নতুন ৰূপ দিয়াৰ পৰিকল্পনা কৰিছে যাতে শিক্ষাৰ বাবে উত্তম পৰিৱেশৰ সৃষ্টি হয় আৰু বিদ্যালয়সমূহক উৎকৰ্ষতা আৰু শিক্ষা গ্ৰহণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব পৰা যায়।

(৮১) ২০২১-২২ বিত্তীয় বৰ্ষৰ ভিতৰত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মোৰ চৰকাৰে বিপিএল ছাত্ৰ-ছাত্ৰীক মাচুল ৰেহাইৰ বাবে ৮,১৭১.৪৭ লাখ টকাৰ ধনৰাশি মুকলি কৰি দিছে। ইয়াৰ ফলত অভিভাৱকৰ বাৰ্ষিক আয় ২.০০ লাখ টকা বা তাতকৈ কম থকা ৩,৫৭,৯০৩ জন ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীলৈ ৩,৫৪২.৪১ লাখ টকা ব্যয়েৰে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হৈছে আৰু ইয়াৰ ফলত ৩,৫৪,২৪১ জন ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

(৮২) ড° বাণীকান্ত কাকতি বঁটাৰ অধীনত ২০১৮ আৰু ২০১৯ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ১৫,১৬০ গৰাকী মেধাৱী ছাত্ৰীক স্কুটাৰ প্ৰদান কৰা হৈছে। এই বৰ্ষত ৮০ খন মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২,০৫০ লাখ টকাৰ অনুদান মুকলি কৰি দিয়া হৈছে। ২০২১-২২ বৰ্ষত মোৰ চৰকাৰে সংযুক্ত মেধা জলপানি, স্নাতকোত্তৰ গৱেষণা জলপানি আৰু সংখ্যালঘু ছোৱালীৰ জলপানি আগবঢ়াইছে।

(৮৩) ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (ৰুছা)ৰ অধীনত দলগাঁও, তুলুঙীয়া, বিহালী, এৰালিগুল, আমজঙা, দেইথৰ, কাকপথাৰ আৰু বৰখলাত ৮ খন আদৰ্শ স্নাতক মহাবিদ্যালয় আৰম্ভ কৰা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়লৈ আন্তঃগাঁথনি অনুদান হিচাপে ৪০ কোটি টকা আগবঢ়োৱা হৈছে। ৰুছা ২.০ ৰ অধীনত আন্তঃগাঁথনি উন্নয়নৰ বাবে এই দুয়োখন বিশ্ববিদ্যালয়ৰ প্ৰতিখনলৈ বৰ্তমানলৈকে ১০.৪৫ কোটি টকাকৈ আগবঢ়োৱা হৈছে।

(৮৪) বঙাইগাঁও, বিহালী, গুৱালকুছি, নলবাৰী, নগাঁও আৰু ওদালগুৰিত ৬ খন অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ কাম চলি আছে। তদুপৰি হাজো, মাজুলী, টিংখং, দৰং, কাৰ্বি আংলং, নগাঁও, ধুবুৰী আৰু ডিমা হাচাওত আন ৮ খন নতুন পলিটেকনিক নিৰ্মাণৰ কাম চলি আছে।

(৮৫) উদ্যোগৰ বাবে দক্ষতাসম্পন্ন কৰ্মী আৰু উদ্যমী সৃষ্টিৰ বাবে মোৰ চৰকাৰে টাটা টেকন'লজীজ প্ৰাইভেট লিমিটেডৰ সহযোগত ৰাজ্যখনৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আইটিআই) আৰু পলিটেকনিকসমূহক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ কাম কৰি আছে।

(৮৬) ২০২৩ চনৰ ১৮ জানুৱাৰীৰ পৰা ১৮ ফেব্ৰুৱাৰীলৈ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত গুণোৎসৱ অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈকে পঠন দক্ষতাৰ বিদ্যায়তনিক মূল্যায়ন আৰু শিক্ষা, সা-সুবিধা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিদ্যালয়ৰ মূল্যায়ন। ২০২৩ বৰ্ষৰ গুণোৎসৱত ৪৪,৫৩১ খন বিদ্যালয় আৰু ৪১,২৮,০৯১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

(ঞ) স্বাস্থ্য সেৱা ঃ

(৮৭) ৰাজ্য প্ৰশাসনৰ দায়িত্ব লোৱাৰ প্ৰথম দিনৰে পৰাই মোৰ চৰকাৰে "সকলোৰে বাবে ব্যয়সাধ্য আৰু সহজে উপলব্ধ স্বাস্থ্য সেৱা"ৰ নীতিৰে কাম কৰি আহিছে। এই দিশত মোৰ চৰকাৰে স্বাস্থ্য সেৱা খণ্ডত সঁচা অৰ্থতে বিপ্লৱী আৰু অভূতপূৰ্ব বুলি অভিহিত কৰিব পৰা বহু পদক্ষেপ গ্ৰহণ কৰিছে। পূৰ্বে ব্যক্তিগত খণ্ডৰ চিকিৎসা ব্যয় বহন কৰিব নোৱাৰাসকলৰ শেষ আশ্ৰয় বুলি গণ্য হোৱা চৰকাৰী চিকিৎসালয়সমূহৰ বৰ্তমানৰ উজ্জ্বল ৰূপে মানুহে একাগ্ৰতাৰে চেষ্টা কৰিলে একোটা খণ্ডত কেনে পৰিৱৰ্তন আহিব পাৰে তাৰ চানেকি হৈ পৰিছে। চৰকাৰী চিকিৎসা ব্যৱস্থাত পূৰ্বে একেবাৰে অসম্ভৱ বুলি ভবা হাড়ৰ-মজ্জা সংৰোপণৰ দৰে চিকিৎসা মোৰ চৰকাৰৰ সক্ৰিয় সমৰ্থনত আজি সম্ভৱ হৈ উঠিছে। মই সম্পূৰ্ণ বিশ্বাসেৰে ক'ব পাৰো যে মোৰ চৰকাৰে স্বাস্থ্য সেৱা খণ্ডত ইপ্সিত সফলতা লাভ নকৰা পৰ্যন্ত ক্ষান্ত নহয়।

(৮৮) মোৰ চৰকাৰে স্বাস্থ্য সেৱা ব্যয়সাধ্য আৰু সহজে উপলব্ধ কৰাৰ উদ্দেশ্যৰে কাম কৰি আহিছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় কাৰ্যসূচী, শিশুৰ জন্মগত হৃদপিণ্ডৰ ৰোগৰ বিনামূলীয়া অস্ত্ৰোপচাৰ, স্নেহ স্পৰ্শ আঁচনি, চাহ বাগিচা অঞ্চল লোকৰ বাবে ভ্ৰাম্যমাণ চিকিৎসা গোট, যক্ষ্মা ৰোগৰ বিনামূলীয়া চিকিৎসা আদি বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰা হৈছে।

(৮৯) মোৰ চৰকাৰে গুৱাহাটীৰ আই আই টিত এখন মাল্টি স্পেচিয়েলিটী চিকিৎসালয় স্থাপন কৰাৰ বাবে আই আই টি, গুৱাহাটীৰ সৈতে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। অনাগত সময়ত এই চিকিৎসালয়খন তৃতীয় স্তৰৰ চিকিৎসাৰ লগতে চিকিৎসা গৱেষণা আৰু প্ৰশিক্ষণৰ এক অন্যতম কেন্দ্ৰত পৰিণত হ'ব।

**(ট) যুৱ সবলীকৰণ ঃ**

(৯০) যুৱ প্ৰজন্মই হ'ল ৰাজ্যৰ ভৱিষ্যৎ আৰু মোৰ চৰকাৰে প্ৰথম দিনৰে পৰাই যুৱ প্ৰজন্মই যাতে এখন নৱজাগৰিত অসম আৰু ভাৰতে আগবঢ়োৱা সকলো সুবিধাৰ উপযুক্ত ব্যৱহাৰ কৰি নিজকে যোগ্যৰূপে গঢ়ি তুলিব পাৰে তাৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। এই ক্ষেত্ৰত এই উদ্দেশ্যৰে প্ৰস্তুত কৰা আঁচনিসমূহ মিছন ম'ডত ৰূপায়ণ কৰি থকা হৈছে যিসমূহে আমাৰ যুৱ সমাজক কিছু বছৰৰ আগলৈকে কঠিন বুলি ভবা কৰ্মক্ষেত্ৰলৈ আগবাঢ়ি যাবলৈও সক্ষম কৰি তুলিছে। ৰাজ্যৰ যুৱ প্ৰজন্মই আগন্তুক সময়ত তেওঁলোকে প্ৰৱেশ কৰিব বিচৰা সকলো ক্ষেত্ৰতে সফলতাৰ নতুন শিখৰ আৰোহণ কৰিব পাৰিব বুলি মই অনুধাৱন কৰিছোঁ।

(৯১) বৰ্তমান সময়ত প্ৰযুক্তিৰ উন্নয়ন আৰু ঔদ্যোগীকৰণ ৪.০ ৰ সময়ত যুৱ প্ৰজন্মৰ দক্ষতা বিকাশ সময়ৰ আহ্বান। এই উদ্দেশ্যে ছিংগাপুৰৰ আই টি ই শিক্ষা সেৱা (ITEES) ৰ সহযোগত উত্তৰ-পূব দক্ষতা কেন্দ্ৰ স্থাপন কৰা হৈছে। ই খাদ্য আৰু পানীয় সেৱা, আতিথ্য আৰু ঘৰুৱা যতন, ৰিটেইল সেৱা আৰু সৌন্দৰ্য আৰু সুস্বাস্থ্য- এই চাৰিটা বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰি আছে।

(৯২) তদুপৰি দৰং জিলাৰ মঙলদৈত নিৰ্মীয়মাণ দক্ষতা বিশ্ববিদ্যালয়খনে ৰাজ্যৰ বৃত্তিগত দক্ষতা বিকাশ ক্ষেত্ৰখনক এক নতুন ৰূপ প্ৰদান কৰিব।

## (ঠ) মহিলা আৰু শিশু বিকাশ

(৯৩) মোৰ চৰকাৰ ৰাজ্যখনৰ মহিলা আৰু শিশুসকলৰ প্ৰতি থকা দায়বদ্ধতা সম্পৰ্কে সম্পূৰ্ণ সচেতন। ভাৰত চৰকাৰৰ পৰা লাভ কৰা প্ৰেৰণাদায়ী পথ-প্ৰদৰ্শনেৰে মোৰ চৰকাৰখনে নাৰীসকলৰ ভাবমূৰ্তি 'অবলা নাৰী' (অসহায় মহিলা)ৰ পৰা 'সবলা নাৰী (সবল মহিলা)লৈ উত্তৰণ ঘটোৱাৰ লক্ষ্যৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। তদুপৰি ৰাজ্যখনৰ শিশুসকল যাতে ৰাষ্ট্ৰৰ সম্পদ হিচাপে গঢ় লৈ অনাগত দিনবোৰত ৰাষ্ট্ৰ গঠন প্ৰক্ৰিয়াত বৰঙণি যোগাব পাৰে তাৰ বাবে প্ৰয়োজনীয় সুবিধা লাভ নিশ্চিত কৰাৰ ক্ষেত্ৰত মোৰ চৰকাৰখনে নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে।

(৯৪) ইয়াৰ অংশ হিচাপে সংহত শিশু উন্নয়ন সেৱা (আই চি ডি এছ) আঁচনিৰ পৰিপূৰক পৰিপুষ্টি কাৰ্যসূচী (এছ এন পি)ৰ অধীনত ২০২২-২৩ বিত্তীয় বৰ্ষত ৩৭,৪০,৫৪২ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছে।

(৯৫) তদুপৰি লক্ষ্য নিৰ্ধাৰিত হিতাধিকাৰীসকলৰ প্ৰাক্-বিদ্যালয় শিক্ষাৰ মান শক্তিশালী কৰিবলৈ তথা পৰিপুষ্টি সম্পৰ্কীয় প্ৰয়োজনীয়তা পূৰাবলৈ আৰু অংগনবাড়ী কেন্দ্ৰসমূহক সক্ৰিয় আৰু আকৰ্ষণীয় কৰি তুলিবলৈ মোৰ চৰকাৰখনে ৰাজ্যখনত প্ৰতিটোতে ২৫.০০ লাখ টকাকৈ ব্যয়ৰে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ ভৱন নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। আজি পৰ্যন্ত ৯৯৯ টা মঞ্জুৰীকৃত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ (এ ডব্লিউ চি)ৰ ভিতৰত ৮০০ টাৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে।

(৯৬) মহিলা সবলীকৰণৰ বাবে মোৰ চৰকাৰখনে কেইবাখনো আঁচনি ৰূপায়ণ কৰি আছে। সম্প্ৰতি প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা (পি এম এম ভি ৱাই) অধীনত ৯,৪৩,৫৪৩ গৰাকী হিতাধিকাৰী উপকৃত হৈছে।

## (ড) শক্তিখণ্ডৰ উত্তৰণ

(৯৭) এখন দেশ আৰু সমাজৰ সম্পূৰ্ণ বিকাশৰ বাবে শক্তি সুৰক্ষা হ'ল প্ৰাথমিক চৰ্ত। এই কথা সাৰোগত কৰি মোৰ চৰকাৰখনে ৰাজ্যখনৰ প্ৰতিটো চুকে-কোণে নিৰৱচ্ছিন্ন বিদ্যুৎ যোগান ধৰাৰ লক্ষ্যৰে পদক্ষেপ গ্ৰহণ কৰিছে।

এসময়ত এক নিত্য-নৈমিত্তিক ঘটনাৰূপে বিবেচিত বিদ্যুত কৰ্তনৰ ঘটনা বৰ্তমান অতীত হৈ পৰিছে আৰু ই এতিয়া সাধাৰণ নহয়, এক ব্যতিক্ৰমী ঘটনা বুলিহে বিবেচিত হয়। শক্তি সুৰক্ষাক আৰু অধিক নিশ্চিত কৰাৰ লক্ষ্যৰে বহু অভিলাষী প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে বা ৰূপায়নৰ বিভিন্ন পৰ্যায়ত আছে। সম্প্ৰতি অসমত বিদ্যুৎ যোগানৰ ক্ষেত্ৰত কোনোধৰণৰ ঘাটি নাই আৰু বিদ্যুৎ যোগানৰ নিৰ্ভৰযোগ্যতা গ্ৰাম্য এলেকাত ২২ ঘণ্টালৈ আৰু নগৰীয়া এলেকাত ২৩ ঘণ্টা লৈকে বৃদ্ধি পাইছে।

(৯৮) এ পি ডি চি এলে অসমৰ সকলো ৰাজহ গাঁৱতে বৈদ্যুতিকৰণ সম্পূৰ্ণ কৰি তুলিছে আৰু লগতে দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই) আৰু 'সৌভাগ্য' আঁচনিৰ অধীনত তেনে গাঁওসমূহৰ সকলো যোগ্য পৰিয়ালকে বিদ্যুৎ সংযোগ প্ৰদান কৰিছে।

(৯৯) জলবায়ুৰ পৰিৱৰ্তনৰ সমস্যাৰ সমাধানৰ বাবে থকা দায়বদ্ধতাৰ অংশ হিচাপে মোৰ চৰকাৰখনে নৱীকৰণযোগ্য শক্তিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। এইটো আশা কৰা হৈছে যে ২০২৬ চনৰ ভিতৰত অসমে ৩০০০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰিবলৈ সক্ষম হ'ব।

(১০০) মোৰ চৰকাৰে ভল্টেজ নিৰ্ভৰযোগ্যতা উন্নত কৰাৰ বাবে ১৯৬ টা নতুন বিতৰণ উপ-কেন্দ্ৰ স্থাপন আৰু ২৬৭৪ টা উচ্চ ভল্টেজ বিতৰণ ব্যৱস্থা (এইছ ভি ডি এছ) স্থাপনেৰে অসম বিতৰণ ব্যৱস্থা সম্প্ৰসাৰণ আৰু লোকচান হ্ৰাস (এ ভি এছ ই এল আৰ) প্ৰকল্প হাতত লৈছে।

(১০১) ১২০ মেগাৱাট ক্ষমতাসম্পন্ন নামনি কপিলী প্ৰকল্প নিৰ্মাণৰ কাম ২০২৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে আৰু ই ৰাজ্যখনৰ বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধি কৰিব।

**সামৰণিৰ মন্তব্য**

(১০২) প্ৰাক-স্বাধীনতা কালত স্থানীয়ভাৱে উৎপাদন কৰা তেল, কয়লা, চাহ ৰপ্তানি কৰা অসম এক সমৃদ্ধিশালী ৰাজ্য আছিল। কিন্তু স্বাধীনোত্তৰ কালত সন্মুখীন হোৱা চূড়ান্ত অৱহেলাৰ ফলত ৰাজ্যখনৰ সম্ভাৱনীয়তাৰ বিকাশ বাধাগ্ৰস্ত

হ'ল। স্বাধীনতাৰ পৰৱৰ্তী ছয় দশকজোৰা কালত যোগাযোগৰ ক্ষেত্ৰত থকা অসুবিধাৰ বাবে অসম ভাৰতৰ আন ঠাইৰ তুলনাত আৰ্থ-সামাজিক দিশত পিছপৰি ৰ'ল। অৱশ্যে ২০১৪ চনৰ পিছত অসম আৰু উত্তৰ-পূবে কেন্দ্ৰীয় চৰকাৰৰ পৰা সম্পূৰ্ণ গুৰুত্ব লাভ কৰিলে। আজি মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্যখনক অকুণ্ঠ মনোযোগ আৰু গুৰুত্ব আৰু প্ৰদান কৰিছে। এনে গুৰুত্বৰ বাবে অসমত এতিয়া শান্তি, সমৃদ্ধি আৰু অভূতপূৰ্ব উন্নয়নৰ এক নতুন যুগ দেখিবলৈ পোৱা গৈছে।

(১০৩) কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা এনে অবিৰত গুৰুত্ব আৰু উদাৰ সহযোগিতাই নতুন আত্মবিশ্বাসৰ জন্ম দি ৰাজ্যখনত উন্নয়ন আৰু সমৃদ্ধিৰ এক নতুন যুগৰ সূচনা কৰিছে। মই ক'ব বিচাৰো যে ভৱিষ্যৎ আমাৰ হ'ব। নৱজাগৰিত অসমে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এক নতুন পৰিচয় লাভ কৰিব। বিকাশৰ সোণোৱালী পথেৰে অসমে উন্নয়নৰ শিখৰ আৰোহণ কৰিব আৰু দেশৰ শ্ৰেষ্ঠ উন্নত ৰাজ্যসমূহৰ এখনৰূপে পৰিগণিত হ'ব।

(১০৪) অৱশ্যে এই গতিঅব্যাহত ৰাখিবলৈ আৰু চৰকাৰৰ উন্নয়নৰ লক্ষ্যক ফলপ্ৰসূ কৰিবলৈ আমি নিজকে সংকল্পবদ্ধ হৈ নিজকে উৎসৰ্গিত কৰিব লাগিব। অসমৰ ৰাইজে একত্ৰিতভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হৈ বাধা অতিক্ৰম কৰি যাব লাগিব। মই আন্তৰিকতাৰে বিশ্বাস কৰো যে ৰাজ্যখনৰ উন্নয়নৰ উমৈহতীয়া লক্ষ্য প্ৰাপ্তিৰ বাবে কাম কৰিবলৈ এই পবিত্ৰ সদনৰ সদস্যসকলে আদৰ্শ নেতৃত্বৰে জনসাধাৰণক উদ্বুদ্ধ কৰিব।

**মাননীয় সদস্যসকল,**

(১০৫) আমাৰ সকলোৰে প্ৰিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই উত্তৰ-পূবক 'বিকাশৰ এক নতুন ইঞ্জিন'লৈ ৰূপান্তৰিত কৰাৰ বাবে গ্ৰহণ কৰা নীতিৰ দ্বাৰা মোৰ চৰকাৰ অনুপ্ৰাণিত আৰু উদ্বুদ্ধ হৈছে। সেই অনুসৰি যোৱা বছৰটোত আমি এই আশা পূৰণৰ চেষ্টা অব্যাহত ৰাখিছোঁ। ৰাজ্যখনৰ সম্ভাৱনীতাৰ পূৰ্ণ বিকাশৰ বাবে আমাৰ চৰকাৰে এলানি পদক্ষেপ গ্ৰহণ কৰিছে। মই মোৰ চৰকাৰৰ নীতি, আঁচনি আৰু

সফলতাৰ এক ৰূপৰেখা দাঙি ধৰিলোঁ। জনসাধাৰণক দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মই আগবঢ়োৱা এই নীতি আৰু আঁচনিৰ ৰূপৰেখাই আগন্তুক তিনি বছৰৰ বাবে মোৰ চৰকাৰৰ নিৰ্ধাৰিত লক্ষ্যৰ বিষয়ে আপোনালোকক এক আভাস দিছে। অসমৰ সকলো শ্ৰেণীৰ লোকৰ হিতৰ কাৰণে আৰু ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়নৰ বাবে সহযোগিতা আগবঢ়াবলৈ আৰু একেলগে কাম কৰিবলৈ মই এই পবিত্ৰ সদনৰ প্ৰতি আহ্বান জনাইছোঁ।

।। জয় হিন্দ ।।

২০২৩

অসম চৰকাৰী ছপাশাল
গুৱাহাটী-২১